সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ১০ সংখ্যা, ২৬ ফাগুন, ৰবিবাৰ, ১৪৩০ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ / ১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 29: Issue No. 10 Date Of Publication - 10 March 2024 Rs.10.00/-

## ‘এখন বিকশিত ভাৰতৰ বাবে উত্তৰ-পূবৰ উন্নয়ন অতি জৰুৰী’ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিতীয় দিনটোত যোৰহাটৰ মেলেং মেটেলিত আয়োজিত এক বিশাল ৰাজহুৱা অনুষ্ঠানত ১৭,৬০৬ কোটি টকা ব্যয়সাপেক্ষে ৭ টা বৃহৎ প্ৰকল্প উদ্বোধন অথবা লোকাৰ্পণ কৰাৰ লগতে ৫ টা বৃহৎ প্ৰকল্পৰ শিলান্যাস কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৮,৫০০ কোটি টকা ব্যয়সাপেক্ষে প্ৰধানমন্ত্ৰী আবাস যোজনা-গ্ৰামীণৰ অধীনত নিৰ্মিত ৫,৫৫,৫৫৫ টা আৱাসত গৃহ প্ৰৱেশ, ৬২০ কোটি টকা ব্যয় সাপেক্ষে অসম আন্তঃগাঁথনি বিত্তীয় প্ৰাধিকৰণৰ অধীনত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, চাৰি হাজাৰ কোটি টকা ব্যয়সাপেক্ষে প্ৰধানমন্ত্ৰী উৰ্জা গংগাৰ অংশ হিচাপে বাৰাউনী-গুৱাহাটী প্ৰাকৃতিক গেছ পাইপলাইন, ৬০০ কোটি টকা ব্যয়সাপেক্ষে নাহৰকটীয়া-বাৰাউনী খাৰুৱা তেলৰ পাইপলাইনৰ বাৰাউনী-বঙাইগাঁও-গুৱাহাটী খণ্ডৰ পাম্পিং ক্ষমতা বৰ্ধিতকৰণ, ৫০ কোটি টকা ব্যয়সাপেক্ষে দুলীয়াজানৰ ৰনং পাম্প ষ্টেচনৰ পৰা ডিগবৈ শোধনাগাৰলৈ খাৰুৱা তেলৰ স্পাৰ লাইনৰ প্ৰতিস্থাপন, ৮১০ কোটি টকা ব্যয়সাপেক্ষে নিউ বঙাইগাঁও-গোৱালপাৰা-কামাখ্যা ৰে'লপথ প্ৰকল্পৰ ধূপধৰা-ছয়গাঁও শাখাৰ ৩৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্প, ৫২০ কোটি টকা ব্যয়সাপেক্ষে নিউ বঙাইগাঁও-ৰঙিয়া-আগিয়াঠুৰী দ্বৈতকৰণ প্ৰকল্প আৰু নিউ বঙাইগাঁও-সৰভোগ শাখাৰ ৩৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্পৰ শুভ উদ্বোধন কৰে। এই প্ৰকল্পসমূহৰ মুঠ ব্যয় হৈছে ১৫,১০০ কোটি টকা। এই অনুষ্ঠানতে ৫০০ কোটি টকা ব্যয়সাপেক্ষে পিএম ডিভাইন অৰ্থাৎ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে



প্ৰধানমন্ত্ৰীৰ উন্নয়নমূলক পদক্ষেপ আঁচনিৰ অধীনত শিৱসাগৰ জিলাৰ ডিমৌত ১০০ খন আসনযুক্ত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, ৩০০ কোটি টকা ব্যয়সাপেক্ষে গুৱাহাটীৰ বিবৰুৱা কৰ্কট চিকিৎসালয়ত ৰক্তজনিত কৰ্কট ৰোগ আৰু শিশুৰ কৰ্কট ৰোগৰ চিকিৎসা কেন্দ্ৰ, ৮০০ কোটি টকা ব্যয়সাপেক্ষে ডিগবৈ শোধনাগাৰৰ বাৰ্ষিক উৎপাদন ক্ষমতা ০.৬৫ ৰ পৰা ১ নিযুত মেট্ৰিকটনলৈ বৃদ্ধিকৰণ, ৫০০ কোটি টকা ব্যয়সাপেক্ষে গুৱাহাটী শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা ১.০ ৰ পৰা ১.২ নিযুত মেট্ৰিকটনলৈ বৃদ্ধিকৰণ আৰু ৩০০ কোটি টকা ব্যয়সাপেক্ষে ভাৰতীয় তেল নিগমৰ বেতকুছি (গুৱাহাটী) টাৰ্মিনেলৰ সুবিধাসমূহৰ উন্নীতকৰণ আৰু সম্প্ৰসাৰণ প্ৰকল্পৰ শিলান্যাস কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এখন বিকশিত ভাৰতৰ বাবে উত্তৰ-পূবৰ উন্নয়ন অতি প্ৰয়োজনীয়। তেওঁ সমগ্ৰ উত্তৰ-পূৱক নিজৰ পৰিয়াল বুলি গণ্য কৰে। সেইবাবেই বছৰ বছৰ ধৰি পৰি থকা প্ৰকল্পসমূহৰ ৰূপায়ণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। শৰাইঘাটৰ দলং, ধলা-শদিয়া দলং, বগীবিল দলং, বৰাক উপত্যকালৈকে ৰে'লপথৰ ব্ৰডগজ সম্প্ৰসাৰণ, মাল্টি মডেল ল'জিষ্টিক পাৰ্ক, ব্ৰহ্মপুত্ৰৰ ওপৰত দুখন নতুন দলং নিৰ্মাণৰ কাম কৰা হৈছে। ২০১৪ চনত অসমত এটা জলপথৰ বিপৰীতে এতিয়া উত্তৰ-পূবত ১৮ টা জলপথৰ প্ৰকল্প কৰা হৈছে। এই প্ৰকল্পসমূহে অঞ্চলটোত নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে। যোৱা কেবিনেট বৈঠকত বিস্তাৰিত পৰিষদৰ সৈতে নতুন ৰূপত অনুমোদন জনোৱা উন্নতি আঁচনিৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে কেবিনেটে মৰাপাটৰ বাবে

(দহ পৃষ্ঠাত চাওক)

## ১২৫ ফুট উচ্চতাৰ বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন

ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ-পূবলৈ অহা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৰহাটৰ হোলোঙাপাৰস্থিত মৈদামত উপস্থিত হৈয়ে জাতীয় বীৰ লাচিত বৰফুকনৰ বীৰত্বগাথা সুঁৱৰি টাই আহোম পৰম্পৰাৰে তৰ্পণ কৰে। সেই স্থানতে লাচিত মৈদাম সংৰক্ষণ সমিতিয়ে প্ৰতীকী হেংদাং, মুগাৰ চাপকণ আৰু টাই আহোমৰ ফাৰুৰে প্ৰধানমন্ত্ৰীক আদৰণি জনায়। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪২ ফুট ওখ বেদীসহ মুঠ ১২৫ ফুট উচ্চতাৰ বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিটো উন্মোচন কৰে।



মৃদংগৰ ধ্বনি, ১০০ গৰাকী মূলাগাভৰুৰ টাই প্ৰাৰ্থনা আৰু টাই পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে ফলকৰ আঁৰকাপোৰ টানি বিশাল প্ৰতিমূৰ্তিটো উন্মোচন কৰে। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশাল প্ৰতিমূৰ্তিটোত সংস্থাপন কৰা বিশেষ লিফ্‌টৰে স্তম্ভৰ ওপৰলৈ উঠি (দহ পৃষ্ঠাত চাওক)

## ‘কাজিৰঙা চাবলৈ আহক বিশ্ববাসী’ঃ প্ৰধানমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে কাজিৰঙাত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাহিলিপুৱাই কাজিৰঙা পৰিভ্ৰমণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ মূল প্ৰবেশদ্বাৰ কঁহৰা বনাঞ্চলত হাতী আৰু জীপ ছাফাৰী কৰে প্ৰথমে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অতি বিশ্বস্ত দতাল হাতী ‘প্ৰদ্যুম্ন’ৰ পিঠিত উঠি তেওঁ কাজিৰঙাৰ অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰে। প্ৰধানমন্ত্ৰীগৰাকীক প্ৰদ্যুম্নৰ পিঠিত লৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ অন্তৰ্ভাগ ভ্ৰমণ কৰোৱায় অভিজ্ঞ মাউত ৰাজু গোৱালাই। ভাৰতীয় সেনা বাহিনীৰ (দহ পৃষ্ঠাত চাওক)

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286 Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।
Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# লেখিকা ড° এচ চুলতানা হাজৰিকা ছিদ্দিকিক "পৰাগজ্যোতি প্ৰকাশন"ৰ পৰা সম্বৰ্ধনা



ৰঙিলী বাৰ্তা সেৱা- আজীৱন শিক্ষাব্ৰতী, বিশিষ্টা লেখিকা, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটত যোগদান কৰা প্ৰথম অসমীয়া হোম চাইন্টিষ্ট, মহিলাৰ শিক্ষা প্ৰচাৰৰ বাবে আকাশবাণীৰ ডিব্ৰুগড় আৰু গুৱাহাটীৰ যোগে অসংখ্য শিক্ষা বিষয়ক কথিকা লিখি পাঠ কৰা ড° এচ চুলতানা হাজৰিকা ছিদ্দিকি (৯০)ক মহানগৰীৰ কাহিলীপাৰাৰ দক্ষিণগাঁওৰ নিজ বাসভৱনত আজি "পৰাগজ্যোতি প্ৰকাশন"ৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষ্যে আয়োজিত সভাখনি প্ৰকাশনৰ হৈ সচিব, সাংবাদিক দীপক শৰ্মাই আঁত ধৰা অনুষ্ঠানত অংশ লৈ প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত ৰাজ্যিক অভিযন্তা সোণাৰাম সাউদে কয়- "সমাজখন একাংশ সৎ-আদৰ্শবান ব্যক্তিয়ে ধৰি আছে। জীৱনৰ বিয়লিবেলা জ্যেষ্ঠ জনে বিচাৰে শ্ৰদ্ধা-মৰম। আমি, এইকথা নতুন প্ৰজন্মই বুজা উচিত। বৰ্তমান সময়ত আমাৰ ভাতৃত্ববোধৰ বৰ অভাৱ ঘটিছে। আমি যোগাত্মক চিন্তাৰে আগুৱাই যোৱাৰ বাবে অহৰহ প্ৰয়াস কৰিব লাগে।" অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক, "সাহিত্য কোঁৱৰ" কমল কলিতাই সভাত অংশ লৈ কয়- "ভাল ব্যৱহাৰে এজন মানুহক সৎ পথত খোঁজ কাঢ়িব শিকায়। ইতিবাচক চিন্তাৰে আমি প্ৰতিদিন আগবাঢ়িব লাগে।" গণেশ নগৰ সাহিত্য সভাৰ সভাপতি, কবি অৰুণ মহন্তই কয়- "ড° ছিদ্দিকি বাইদেউৰ বাগ্মিতা মন কৰিবলগীয়া। তেওঁৰ চিন্তা বৰ সাৱলীল।" সভাত বঙাইগাঁও ৰে'লৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা তথা বিশিষ্টা কবি গীতা দেৱী, বিশিষ্টা লেখিকা ৰমিছা বেগম, "সংযোগ" মাহেকীয়া আলোচনীৰ সম্পাদক তথা কবি প্ৰশান্ত গগৈ, অনাতাঁৰ কেন্দ্ৰ, গুৱাহাটীৰ অভিযন্তা আক্কাছ আলী আহমেদে অতিথি হিচাবে অংশ লৈ ড° ছিদ্দিকিৰ প্ৰতিভা অন্যান্য। তেওঁৰ সুস্বাস্থ্যৰে লগতে নিজ কৰ্মৰে আগুৱাই গৈ থাকক। সভাত প্ৰকাশনৰ সচিব দীপক শৰ্মাই নিজস্ব অভিমত ব্যক্ত কৰি কয়- বৰ মননশীল চিন্তাৰ অধিকাৰী ড° ছিদ্দিকিয়ে নিজৰ বাগ্মিতাৰে মানুহৰ মাজত সদ চিন্তা, সদ কৰ্ম, সদ আদৰ্শৰ মনোভাৱ প্ৰতিষ্ঠা কৰি যাওক। সম্বৰ্ধনা গ্ৰহণ কৰি ড° ছিদ্দিকিয়ে পৰাগজ্যোতি প্ৰকাশনৰ সাৰ্থক প্ৰচেষ্টাৰ শলাগ লৈ তেওঁলোকৰ যাত্ৰা নিৰবধি নৈৰ দৰে আগবাঢ়ি যাবৰ বাবে আশীষ দিয়ে।

# এন এফ ৰে'লৱে এম্প্লয়িজ ইউনিয়নৰ উদ্যোগত মালিগাঁৱত আন্তৰ্জাতিক নাৰী দিৱস পালন




ৰঙিলী বাৰ্তা সেৱা- উত্তৰ পূৰ সীমান্ত ৰে'লৱেৰ শ্ৰমিক - কৰ্মচাৰী সকলৰ অগ্ৰণী ট্ৰেড ইউনিয়ন এন এফ ৰে'লৱে এম্প্লয়িজ ইউনিয়নৰ মুখ্য কাৰ্যালয়ৰ মহিলা শাখাৰ উদ্যোগত উত্তৰ পূৰ সীমান্ত ৰে'লৱেৰ মালিগাঁওস্থিত সদৰ কাৰ্যালয়ৰ বাকৰিত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। ইউনিয়নৰ মহিলা শাখাৰ শাখা সম্পাদিকা মিতালী দত্ত দাসৰ আদৰণি ভাষণৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লৈ উত্তৰ পূৰ সীমান্ত ৰেলৱেৰ মহিলা কল্যাণ সংস্থাৰ সভানেত্ৰী শালিনী শ্ৰীবাস্তৱে ভাষণ প্ৰসংগত আন্তৰ্জাতিক নাৰী দিৱস উদযাপনৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আলোকপাত কৰে আৰু নাৰী সবলীকৰণ হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে জনপ্ৰিয় অভিনেত্ৰী ডঃ আকাশী তৰা দত্ত আৰু হিয়া মেধিয়ে ভাগ লৈ সকলো নাৰীয়ে যাতে নিজকে নিজে আত্মৰক্ষাৰ কৌশল সমূহ আয়ত্ত কৰিব পাৰে তাৰ কামনা কৰে আৰু নাৰী বা যুৱতী সকলৰ মাজত সজাগতা সৃষ্টিৰ বাবে সময়ে সময়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি অহা বাবে ইউনিয়নৰ মহিলা শাখাৰ শলাগ লয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বাবে ৰহনীয়া সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাৰ্যসূচীত কেবাজনেও নৃত্য, গীত, কবিতা আবৃত্তি পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। তেনেদৰে অনুষ্ঠানত মহিলা আৰু শিশুৰ মাজত পৰম্পৰাগত সাজ পোচাক পৰিধান কৰা বিষয়ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ অনুষ্ঠিত অনুষ্ঠানত ইউনিয়নৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মধুসুদন দাস, উপ সভাপতি বি ব্ৰহ্ম, যুটীয়া সাধাৰণ সম্পাদক দিগন্ত বৰুৱা আৰু প্ৰকাশ বৰ্মন, সহকাৰী সাধাৰণ সম্পাদক প্ৰণীতা মজুমদাৰ, কাৰ্যালয় সম্পাদক কস্তুৰী দত্ত, প্ৰচাৰ কোষৰ অধ্যক্ষ নয়ন কুমাৰ বৰ্মন, মুখ্য সাংগঠনিক সম্পাদক ধ্ৰুৱ তালুকদাৰ আৰু ভাস্কৰ ভূষণ দাস, মহিলা শাখাৰ কেবাজনো কৰ্মকৰ্তা উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়াই ইউনিয়নৰ মহিলা শাখাৰ কৰ্মকৰ্তা মুনমুন শৰ্মাই। আনহাতে ৮ মাৰ্চত এন এফ ৰে'লৱে কেন্দ্ৰীয় চিকিৎসালয় আৰু গুৱাহাটীৰ হায়াট চিকিৎসালয়ৰ যৌথ উদ্যোগত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হ'ব।

# ডিব্ৰুগড় আৰক্ষী আৰু বন বিভাগৰ চোৰাং কাঠ জব্দ



ৰঙিলী বাৰ্তা সেৱা- ডিব্ৰুগড় আৰক্ষী আৰু বন বিভাগৰ যৌথ উদ্যোগত ডিব্ৰুগড়ৰ মোহনাঘাট অঞ্চলত নদীৰ কাষৰ পৰা বৃহৎ পৰিমাণৰ চোৰাং কাঠ আজি (৭-৩-২৪) জব্দ কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনাক বৃদ্ধাংগুষ্ঠ দেখুৱাই এতিয়াও একাংশ তথাকথিত কাঠ মাফিয়াযে বিনাদ্বিধাই চলাই আছে চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায়। ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰ কাষৰীয়া অঞ্চল মহনাঘাটত বৃহৎ পৰিমাণৰ কুণ্ডা জব্দ কৰে আৰক্ষী আৰু বন বিভাগৰ যুটীয়া অভিযানত। ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ কাষে কাষে অবৈধ কুণ্ডা মানুহৰ ঘৰৰ পাছফালে, এই কুণ্ডা সমূহ দূৰ দূৰণিৰ পৰা নদীয়েদি আনি ৰমৰমীয়া ব্যৱসায় কৰি আছে তাৰ এটা অংশ আজি ধৰা পৰে বন আৰু আৰক্ষীৰ অভিযানত। এনেকৈ বিভিন্ন স্থানৰ পৰা যেনে

*(দহ পৃষ্ঠাত চাওক)*

# চৰকাৰী সংস্কৃত মহাবিদ্যালয়ত আত্মৰক্ষা প্ৰশিক্ষণ কৰ্মশালা



ৰঙিলী বাৰ্তা সেৱা- গুৱাহাটীৰ জালুকবাৰীস্থিত কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এটি আত্মৰক্ষা প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষ (IQAC)ৰ সহযোগত অনুষ্ঠিত কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে কাৰাটেৰ ৰাষ্ট্ৰীয় খেলুৱৈ ৰূমেনা হাজৰিকাই। কৰ্মশালাত ছাত্ৰ - ছাত্ৰীসকলে অত্যন্ত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। আনহাতে কৰ্মশালাৰ সামৰণিত অনুষ্ঠিত সভাখনৰ আঁত ধৰে মহিলা কোষৰ সম্পাদিকা আৰু আভ্যন্তৰিণ মান নিৰূপণ কোষৰ সমন্বয়ক ডঃ নীলাক্ষি দেৱীয়ে আৰু সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ডঃ বন্দনা সন্দিকৈয়ে। 'নাৰী দিৱসৰ মূল বিষয়' সম্পৰ্কে নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে মহিলা কোষৰ সভানেত্ৰী ডঃ অৰুন্ধতী গোস্বামীয়ে। সভাত মনোজ ক'ৰে যোগ প্ৰদৰ্শন, নৱবিকাশ শৰ্মাই একক অভিনয়, কৰীণা চমুৱা আৰু দীপিকা দাসে গীত পৰিৱেশন, কৃতি ৰামে কবিতা আবৃত্তি আৰু আমিনুলে নৃত্য প্ৰদৰ্শন কৰে। শেষত শলাগৰ শৰাই আগবঢ়াই মহিলা কোষৰ সম্পাদিকা ডঃ নীলাক্ষি দেৱীয়ে।

# কনজিউমাৰ্চ লীগেল প্ৰটেকশ্যন ফৰামৰ উদ্যোগত আন্তৰ্জাতিক মহিলা দিৱস অনুষ্ঠিত




ৰঙিলী বাৰ্তাসেৱা- আন্তৰ্জাতিক মহিলা দিৱসৰ লগত সংগতি ৰাখি কনজিউমাৰ্চ লীগেল প্ৰটেকশ্যন ফৰামৰ উদ্যোগত বৃহস্পতিবাৰে গুৱাহাটীত এক সজাগতামূলক কৰ্মশালা আৰু শ্লোগান প্ৰতিযোগিতা অনুষ্ঠিত হয়। কনজিউমাৰ ভয়েছ-নতুন দিল্লী, জ্যোতিশিখা মহিলা সমন্বয় পৰিষদ, প্ৰতিশ্ৰুতি কেঞ্চাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট আৰু ইনাৰ হুইল ক্লাব অফ গুৱাহাটী ইষ্টৰ সহযোগত পাঞ্জাবাৰীত অনুষ্ঠিত এই কৰ্মশালাত শতাধিক মহিলাই অংশ লয়। 'ধঁপাত বিৰোধী আইন অধিক কঠোৰ আৰু শক্তিশালী কৰি জীৱন ৰক্ষা কৰা' শীৰ্ষক কৰ্মশালাত ৰাজ্যৰ বিশিষ্ট স্ত্ৰী ৰোগ বিশেষজ্ঞ ডাঃ ডিপি আগৰৱালাই 'ধঁপাতমুক্ত সুস্থ ভৱিষ্যত আৰু মহিলা সৱলীকৰণ' বিষয়ৰ ওপৰত মূল ভাষণ দি কয়- ধঁপাত যি কোনো ধৰণৰে নহওঁক কিয়, সেয়া অতি ক্ষতিকাৰক আৰু প্ৰাণঘাতক। শিশু আৰু যুৱ প্ৰজন্ম ধঁপাতৰ প্ৰতি আসক্ত হোৱাটো সমাজৰ বাবে অতি ভয়াৱহ। ধঁপাত সেৱন কৰা মহিলাৰ সংখ্যাও আমাৰ সমাজত বৃদ্ধি পাইছে আৰু এনে মহিলা বিভিন্ন জটিল ৰোগত আক্ৰান্ত হৈ আছে। ধঁপাত সেৱনৰ ফলত হাঁওফাঁওৰ ওপৰত যথেষ্ট ক্ষতিকাৰক প্ৰভাৱ পৰে আৰু দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা অভাৱনীয় ভাবে কমি যায়। কৰ্মশালাত উপস্থিত থাকি কনজিউমাৰ্চ লীগেল প্ৰটেকশ্যন ফৰামৰ সচিব অধিবক্তা অজয় হাজৰিকাই কয়- দেশৰ ৫০ শতাংশ কৰ্কট ৰোগৰ মূল কাৰণে ধঁপাত সেৱন। সমীক্ষা মতে, অসমৰ ৩৩ শতাংশ মহিলা আৰু ৪৮.২ শতাংশ প্ৰাপ্তবয়স্কই ধঁপাত সেৱন কৰে। আমাৰ দেশত প্ৰায় ৪০ শতাংশ মহিলা নিজৰ ঘৰতে পৰোক্ষভাবে ধঁপাত সেৱনকাৰীৰ পৰা ক্ষতিগ্ৰস্ত হয়। কৰ্মশালাত উপস্থিতি থাকি বিশিষ্ট লেখিকা তথা সমাজকৰ্মী স্বপ্নালী মহন্তই ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথাৰ উদ্ধৃতি দি ধঁপাত জাতীয় বস্তুৰ আসক্তিৰ ফলত এজন লোক কিদৰে জীৱনত সকলো হেৰুৱাবলগীয়া পৰ্যন্ত হয় সেই বিষয়ে উল্লেখ কৰি ধঁপাত সেৱনৰ দৰে ভয়াবহ আসক্তিৰ পৰা মহিলাক ৰক্ষা কৰাৰ বাবে শক্তিশালী পদক্ষেপৰ প্ৰয়োজন বুলি মত প্ৰকাশ কৰে। ধঁপাত বিৰোধী শ্লোগান প্ৰতিযোগিতাত সমাজৰ বিভিন্ন স্তৰৰ শতাধিক মহিলা অংশ লয়। বিজয়ী তিনিগৰাকী প্ৰতিযোগী ক্ৰমে প্ৰথম পুৰস্কাৰ ৰুণজ্যোতি হাজৰিকা, দ্বিতীয় পুৰস্কাৰ ময়ুৰী দত্ত আৰু তৃতীয় পুৰস্কাৰ কবিতা দাসক প্ৰদানৰ পাছত দেশৰ ধঁপাত বিৰোধী আইন অধিক কঠোৰ আৰু শক্তিশালী ভাবে বলবৎ কৰাৰ দাবীৰে মহিলা সকলে লিখা শ্লোগান প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়লৈ প্ৰেৰণ কৰা হয়।

# ধিং সমষ্টিৰ কান্দুলীমাৰীত সৰ্ব ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ বিশাল ৰাজহুৱা সভা সম্পন্ন

ৰঙিলী বাৰ্তাসেৱা- নগাঁও জিলাৰ ধিং সমষ্টিৰ ১ নং কান্দুলীমাৰীত যোৱা ৬ মাৰ্চৰ দিনা সৰ্ব ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। এ আই ইউ ডি এফৰ নগাঁও জিলাৰ সমিতিৰ সৌজন্যত আৰু ধিং বিধান সভা সমষ্টিৰ উদ্যোগত অনুষ্ঠিত হোৱা বিশাল ৰাজহুৱা সভা খনত এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি তথা ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ মৌলানা বদৰুদ্দিন আজমল উপস্থিত থাকি তেওঁৰ ভাষণত কয়-আপোনালোকে মোক তিনিবাৰ কৈ সাংসদত পঠিয়াইছে। মই অকলে সাংসদত যুঁজি আছোঁ। আপোনালোকৰ চৰৰ ৰাস্তা-ঘাটৰ কথা, ডি ভোটাৰৰ কথা, এন আৰ চিৰ কথা, ভোটাৰ লিষ্টৰ কথা মই সাংসদত উত্থাপন কৰিছোঁ। তেওঁ কংগ্ৰেছ দলক সমালোচনা কৰি




কয়, গৌৰৱ গগৈ, তৰুণ গগৈ, দীপ গগৈ আপোনালোকৰ ভোটেৰে কলিয়াবৰৰ পৰা পাঁচ কৰি দিল্লীলৈ গৈ আপোনালোকৰ নামত হাজাৰ হাজাৰ কোটি টকা দিল্লী পৰা আনি আপোনালোকৰ একো কাম নকৰি দিল্লী, মোস্বাই আৰু বেংগালুৰুত ডাঙৰ ডাঙৰ অট্টালিকা বনাইছে। চৰৰ মানুহ, মুছলমান মানুহৰ ভোটেৰে জিকি গৈ গৌৰৱ গগৈয়ে সাংসদত মুছলমান মানুহৰ কথা নকয়, নেপালীৰ হে কথা কয়। মুছলমান মানুহৰ ভোটেৰে পাচ কৰি দিল্লীত নেপালীৰ কথা কয়। বদৰুদ্দিন আজমলে বি জে পিক ক্ষুৰধাৰ সমালোচনা কৰি কয়-আজি গোটেই ভাৰত বৰ্ষত মুছলমানৰ মছজিদত শত্ৰু, মাদ্ৰাছাত শত্ৰু আৰু আজানত শত্ৰু। বি জে পিৰ আৰু বেছি দিন নাই, ২০২৬ চনৰ আগে এই দলে অসমৰ পৰা বিদায় লব। কংগ্ৰেছ আমাৰ এক নম্বৰ শত্ৰু আৰু বি জে পি আমাৰ চিৰশত্ৰু। ১ নং কান্দুলীমাৰী নতুন বজাৰ প্ৰাঙ্গনত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত জনীয়া সমষ্টিৰ বিধায়ক (দহ পৃষ্ঠাত চাওক)

# গুৱাহাটী প্ৰেছ ক্লাবত তৌফিক ৰহমানৰ উপন্যাস "খলনায়ক" উন্মোচন




ৰঙিলী বাৰ্তাসেৱা- অসমীয়া সাংস্কৃতিক জগতৰ এগৰাকী বলিষ্ঠ অভিনেতা তথা চিত্ৰনাট্যকাৰ তৌফিক ৰহমানৰ উপন্যাস "খলনায়ক" গুৱাহাটী প্ৰেছ ক্লাবত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। অসমীয়া চলচ্চিত্ৰ জগতৰ বিশিষ্ট অভিনেত্ৰী মৃদুলা বৰুৱাৰ শুভেচ্ছা মূলক বাৰ্তাৰে আৰম্ভ হোৱা সভাত গ্ৰন্থখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব স্বপ্নলীল বৰুৱা, বিশিষ্ট অভিনেতা যতীন বৰা, বিশিষ্ট সাংবাদিক ৰঞ্জিত হাজৰিকা, কবি নীলিম কুমাৰ আৰু মৃদুলা বৰুৱাই। উল্লেখযোগ্য আগশাৰীৰ প্ৰকাশন পূৰ্বায়ণ প্ৰকাশনৰ উদ্যোগত আয়োজিত এই গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকি নিজৰ উন্মোচনী ভাষণত অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব বৰুৱাই তৌফিক ৰহমানৰ সৈতে গঢ়ি উঠা বন্ধুত্ব, তথা মধুৰ অতীতক মনত পেলাই। সভাত উপস্থিত থাকি বিশিষ্ট কবি নীলিম কুমাৰে নিজৰেই কবিতা পাঠ কৰি সকলোকে মোহাচন্ন কৰি তোলে। নিজৰ ভাষণত সাংবাদিক ৰঞ্জিত হাজৰিকা আৰু অভিনেতা যতীন বৰাই তৌফিক ৰহমানৰ ব্যক্তিত্ব আৰু তেওঁৰ কৰ্ম নিপুণতাক শলাগ স্বীকাৰ কৰে। লেখকৰ মনৰ ভাৱ প্ৰকাশ কৰি তৌফিক ৰহমানে কয় যে প্ৰায় ৬৫ বছৰ আগৰ অপৰাধ জগতৰ কিছু বাস্তৱ শিহৰণকাৰী ঘটনাৰ পটভূমিত ৰচিত ভিন্নস্বাদৰ উপন্যাস পঢ়ি নিশ্চয় পাঠকে অনুভূতিৰ নতুন সোৱাদ পাব।

# শিলসাঁকোৰ উচ্ছেদিতৰ মাজত ৰমেন চন্দ্ৰ বৰঠাকুৰৰ "বুলড'জাৰৰ ৰাজনীতি" উন্মোচন




ৰঙিলী বাৰ্তাসেৱা- শিলসাঁকোৰ উচ্ছেদথলীৰ সমীপতে, আব্লান ক্লাৱ, বৰবাৰী প্ৰাংগণত বিশিষ্ট নিবন্ধকাৰ ৰমেন চন্দ্ৰ বৰঠাকুৰৰ "বুলড'জাৰৰ ৰাজনীতি" শীৰ্ষক এখন গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। দুই শতাধিক স্থানীয় উচ্ছেদিত লোকৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰে কবি নীলিম কুমাৰ, সাংবাদিক নিতুমণি শইকীয়া, দুলাল বৰা আৰু বিৰিঞ্চি বৰাই। অনুষ্ঠানত অংশ লৈ কবি নীলিম কুমাৰে শিলসাঁকোৰ উচ্ছেদক লৈ তেওঁ লিখা এটা বিশেষ কবিতা আৰু "সেই (দহ পৃষ্ঠাত চাওক)

# মনোজ কুমাৰ গোস্বামীৰ ঘৰৰ সন্মুখৰ পৰা টাই আহোম যুৱ পৰিষদৰ সকিয়নী



ৰঙিলী বাৰ্ত্তাসেৱা- আহোম জাতিৰ উপৰিপুৰুষ তথা বংশকূলক তুচ্ছ তাচ্ছিল্য কৰা হালধীয়া সাংবাদিক মনোজ কুমাৰ গোস্বামীৰ বিৰোধিতাৰে গুৱাহাটী খানাপাৰাৰ কইনাধৰা তেওঁৰ বাসগৃহৰ সন্মুখত টাই আহোম যুৱ পৰিষদ আৰু টাই আহোম মহিলা পৰিষদে দিনৰ ১১ বজাত দেওবাৰে এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী লোৱা হয়। গোস্বামীৰ প্ৰতিকৃতি খানাপাৰা উৰণীয়া সেতুৰ পৰা চুচৰাই আনি তেওঁৰ বাসগৃহৰ সন্মুখত তেওঁৰ প্ৰতিকৃতিত টাই আহোম মহিলা পৰিষদৰ সদস্যা সকলে ছেন্দেলেৰে চৰিয়াই আৰু শেষত মনোজ কুমাৰ গোস্বামীৰ প্ৰতিকৃতি জ্বলাই দিয়া হয়। মনোজ কুমাৰ গোস্বামী হায় হায়, মনোজ গোস্বামী হুচিয়াৰ, মনোজ গোস্বামী সাৱধান আদি শ্লগানেৰে ৰাজপথ উত্তাল কৰি তোলা হয়। গোস্বামীৰ ঘৰ ঘেৰাও কৰাৰ উদ্দেশ্যে যেতিয়া প্ৰতিবাদ কাৰী সকল আগবাঢ়ে তেতিয়া আৰক্ষী প্ৰশাসনে পৰিষদৰ সদস্য সকলক বেৰিকেট দি বাধা প্ৰদান কৰে আৰু আৰক্ষীৰ লগত হেচা ঠেলা হয়। টাইপা কেন্দ্ৰীয় মুখপাত্ৰ গুণকান্ত গগৈয়ে আৰক্ষী প্ৰশাসনক প্ৰশ্ন কৰে যে টাই আহোম যুৱ পৰিষদে আৰু টাই আহোম ছাত্ৰ সন্থাই মনোজ গোস্বামীৰ বিৰোদ্ধে এজাহাৰ দিয়া ৩ দিন (দহ পৃষ্ঠাত চাওক)

# বিজেপিৰ কিষাণ মৰ্চাৰ নেতা প্ৰণৱৰাম দে'ৰ আপত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- সমাগত লোকসভা নিৰ্বাচনৰ প্ৰাকমূহুৰ্তত ৰাজ্যৰ বিভিন্ন ঠাইত আম আদমি পাৰ্টীত বৃহৎসংখ্যক ব্যক্তিয়ে যোগদান কৰিছে। গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত ডিমৰীয়া বিধানসভা ক্ষেত্ৰৰ সোণাপুৰত অনুষ্ঠিত হোৱা যোগদান কাৰ্যসূচীত বিজেপিৰ কিষাণ মৰ্চাৰ নেতা প্ৰণৱৰাম দে' আৰু তেওঁৰ নেতৃত্বত শতাধিক ব্যক্তিয়ে আপৰ ৰাজ্যিক সভাপতি তথা গুৱাহাটী লোকসভা সমষ্টিৰ আপৰ মনোনীত প্ৰাৰ্থী ডাঃ ভবেন চৌধুৰীৰ উপস্থিতিত আম আদমি পাৰ্টীত যোগদান কৰে। সেইদৰে ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত দুলীয়াজান বিধানসভা ক্ষেত্ৰৰ টেঙাখাত অঞ্চলত অনুষ্ঠিত হোৱা এক যোগদান কাৰ্যসূচীত আপৰ কেন্দ্ৰীয় নেতা জেছমিন সাহ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ আপৰ মনোনীত প্ৰাৰ্থী মনোজ ধানোৱাৰৰ উপস্থিতিত ডিব্ৰুগড় জিলা বিজেপিৰ প্ৰাক্তন সাংগঠনিক সম্পাদক মিলন দাসকে ধৰি শতাধিক লোকে আপত যোগদান কৰে। তাৰ উপৰিও ধৰিয়া দিঘলীয়াৰ প্ৰাক্তন কংগ্ৰেছ সভানেত্ৰী অঞ্জলি তেংৰা, ধৰিয়া দিঘলীয়াৰ যোৱা পোন্ধৰ (দহ পৃষ্ঠাত চাওক)

# দৰঙত ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক প্ৰদান অভিযানৰ শুভ উদ্বোধন




ৰঙিলী বাৰ্ত্তাসেৱা- দৰং জিলা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত জিলা ভিত্তিত 'ৰাষ্ট্ৰীয় পলিঅ প্ৰতিষেধক প্ৰদান অভিযান'ৰ শুভ উদ্বোধনী অনুষ্ঠান ৩ মাৰ্চত মঙলদৈ অসামৰিক চিকিৎসালয়ত অনুস্থিত হয়। উক্ত কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে দৰং জিলাৰ ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ গোস্বামীয়ে। উদ্বোধনী ভাষণত তেওঁ কয় যে দৰং জিলাত শূন্যৰ পৰা ৫ বছৰ বয়সৰ মুঠ ১,৩৭,২২৮ গৰাকী শিশুক পলিঅ' প্ৰতিষেধক প্ৰদানৰ বাবে ৬৯৬ টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ, ৬৩ টা ভ্ৰাম্যমান প্ৰতিষেধক প্ৰদান দল, মুঠ ২,৮৮৬ গৰাকী প্ৰতিষেধক কৰ্মী আৰু ১৬৩ গৰাকী পৰিদৰ্শক নিয়োগ কৰা হৈছে। উক্ত অভিযানৰ সফল ৰূপায়নৰ বাবে সকলো অভিভাৱকক নিজৰ শিশুটিৰ লগতে চুবুৰীয়া শিশুক ওচৰৰ প্ৰতিষেধক কেন্দ্ৰত দুটোপাল পলিঅ' প্ৰতিষেধক খুৱাবলৈ তেওঁ অনুৰোধ জনায়। উক্ত অনুস্থানত দৰং জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ জোনালী চৌধুৰী, জিলা প্ৰতিষেধক বিষয়া ডাঃ ৰূপৰেখা কলিতা, মঙলদৈ অসামৰিক চিকিৎসালয়ৰ বিষয়া কৰ্মচাৰীৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# লিডুত 'অসমতো কেজৰিৱাল' অভিযানত আপৰ কেন্দ্ৰীয় নেতা জেছমিন শ্বাহ




ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যৰ তিনিটাকৈ সমষ্টিত প্ৰাৰ্থী ঘোষণা কৰা আম আদমী পাৰ্টিয়ে আৰম্ভ কৰিছে ব্যাপক তৎপৰতা। কালি ডিব্ৰুগড়ত দলৰ নেতা-কৰ্মী সকলে অসমতো কেজৰিৱাল কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পাছত লিডু আৰু মাৰ্ঘেৰিটাতো অনুষ্ঠিত কৰে অসমতো কেজৰিৱাল অভিযান। দলৰ এই জনসম্পৰ্ক মূলক অভিযানত অংশগ্ৰহণ কৰে ৰাষ্ট্ৰীয় নেতা জেছমিন শ্বাহ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে। বহুসংখ্যক দলীয় কৰ্মী সমৰ্থকৰ উপস্থিতিত আপৰ নেতা জেছমিন শ্বাহে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে শিক্ষা আৰু অন্যান্য ক্ষেত্ৰত কৰা উন্নয়নৰ বিষয়ে সদৰি কৰে। নেতাগৰাকীৰ মতে আপে যতেই চৰকাৰ গঠন কৰে ত'তেই চৰকাৰী শিক্ষাখণ্ডৰ চমকপ্ৰদ উন্নয়ন হয়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানতকৈ চৰকাৰী শিক্ষানুষ্ঠানৰ মানদণ্ড উন্নত হয়। আপৰ নেতাগৰাকীয়ে দিল্লী আৰু পঞ্জাৱ চৰকাৰৰ কামৰ নিদৰ্শন উল্লেখ কৰে। উন্নয়নৰ স্বাৰ্থত ডিব্ৰুগড় লোকসভা সমষ্টিৰ আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰৰ বিজয় সুনিশ্চিত কৰিবলৈ নেতা গৰাকীয়ে আহ্বান জনায়।

# পূৰ্ব্বাঞ্চলীয় লোক পৰিষদৰ (পি এল পি) সংবাদমেল




ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ আমবাৰীস্থিত গুৱাহাটী প্ৰেছ ক্লাবত পূৰ্বাঞ্চলীয় লোক পৰিষদৰ (পি এল পি) এখন সংবাদমেল অনুষ্ঠিত হয়। উক্ত সংবাদ মেলত পৰিষদৰ সভাপতি চৰণ ডেকা, সচিব প্ৰধান ৰাজকুমাৰ বৈশ্য, উপ সভাপতি চৰিফুল হক, কাৰ্যকৰী সদস্য মণিৰাম তালুকদাৰ উপস্থিত থাকে। উক্ত সংবাদ মেলত তেওঁলোকে কয় যে নাগৰিকত্ব সংশোধনী আইন ২০১৯ কাৰ্যকৰীকৰণৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ তৰিবলৈ আহ্বান জনাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনোৱা বক্তব্য চূড়ান্ত প্ৰৰোচনমূলক, বিভ্ৰান্তিকৰ আৰু অভূতপূৰ্ব স্বেচ্ছাচাৰিতাৰ নামান্তৰ বুলি অভিহিত কৰিছে পূৰ্বাঞ্চলীয় লোক পৰিষদে।ভাৰতৰ উচ্চতম ন্যায়ালয়ত দেশৰ বিভিন্ন ৰাজ্যৰ পৰা ৰুজু হোৱা ১৩৭ টা গোচৰ বিচাৰাধীন হৈ আছে আৰু তাৰ ভিতৰত অসমৰ পৰাই দাখিল কৰা গোচৰ চল্লিশটাৰো অধিক বুলি সংবাদ মেলত তেওঁলোকে জনায়। 'কা'ৰ সন্দৰ্ভত ঐক্যমঞ্চই ঘোষণা কৰা সকলো ধৰণৰ আন্দোলনত দৃঢ়তা আৰু সাহসেৰে অংশ গ্ৰহণ কৰি ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ হকে যুঁজ দিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ বিষয়ে সংবাদ মেলত সভাপতি চৰণ ডেকাই ঘোষণা কৰে।

# নাৰীৰ সাম্প্ৰতিক অৱস্থান

৮ মার্চ বিশ্ব নাৰী দিৱসত পৃথিৱীৰ সকলো নাৰীলৈ প্ৰণিপাত জনাইছোঁ।নাৰী দিৱসৰ প্ৰয়োজন আছে নে? আমাৰ নাৰী সকলৰ মনত নিজকে প্ৰশ্ন কৰো!!হয় প্ৰয়োজন



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি**

আছে। ৮ মার্চৰ নাৰী দিৱসৰ দিনা আমি সকলো নাৰী মিলিত হওঁ। অশিক্ষিত নাৰী সকলক তেওঁলোকে ঘৰখনৰ লগতে নিজক পৰিস্কাৰ পৰিচ্ছন্ন কৰি কেনেকৈ ৰাখিব কেনেকৈ নিজৰ ভিতৰত থকা প্ৰতিভা চিনাকি কৰি দি তাক বিকাশ কৰাই সমাজখনৰ প্ৰগতিৰ পথত আগুৱাই যোৱাত সহায় কৰিব লাগিব।

কাৰণ নাৰী এটি সত্তা, ধৰাৰ লগত তুলনা কৰা হয় সেই নাৰীৰ এতিয়াও বহুত পিছ পৰি আছে। একবিংশ শতিকাৰ বিজ্ঞানৰ ইমান আগবঢ়া হোৱাৰ পিছতো নাৰীয়ে প্ৰকৃত স্থান লাভ কৰিছে নে?এটা ডাঙৰ প্ৰশ্ন।নাৰী সকলৰ সাম্প্ৰতিক অৱস্থিতি এতিয়া নিম্নস্থানত আছে। এতিয়াও নিজকে সুৰক্ষিত অনুভৱ নকৰে স্বাধীনতা পিছৰ কথা। কিন্তু ইয়াত আমাৰ নাৰী সকলৰ দোষ নথকা নহয়।আমি নিজকে দুৰ্বল বুলি অনুভৱ কৰো আৰু আমাৰ নাৰীৰ মাজত একতাৰ অভাৱ। কাৰণ বহুত আছে। অলপ অনুভৱ প্ৰকাশ কৰিলোঁ।

আমাৰ অভিভাৱক সকলৰ প্ৰধান কৰ্তব্য হ'ল কন্যা সন্তানক স্বাৱলম্বী কৰি গঢ়ি তোলা, তাৰ পিছতহে কন্যা গৰাকীৰ বিবাহৰ কথা ভবা দৰকাৰ।

কাৰণ নাৰী হিচাপে নিজৰ অভিজ্ঞতাৰ পৰা কওঁ বৰ্তমান পৰিস্থিতিত এজনী কন্যাসন্তান বিবাহ দিয়াৰ কথা ভৱাতকৈ প্ৰথমে ছোৱালী জনীক স্বাৱলম্বী কৰি গঢ়ি তুলিব লাগে। কাৰণ ছোৱালী জনীক বিয়া দিয়াৰ পিছত যদি স্বামীৰ ঘৰখনৰ পৰা অসুবিধা পাই আৰ্থিক ভাৱে স্বাৱলম্বী হ'লে, তেতিয়া স্বামীৰ পৰা বিচ্ছেদ হ'লেও তাই নিজৰ জীৱনটো ভালদৰে অতিবাহিত কৰিব পাৰিব। স্বাৱলম্বী হ'লে ছোৱালী জনীয়ে নিজকে সুৰক্ষিত অনুভৱ কৰিব, এয়া নাৰীৰ সকলৰ বাবে ধনাত্মক দিশ।আৰ্থিক অভাৱ থকা ঘৰ এখনত স্বাৱলম্বী কন্যা সন্তান এজনী আগমনে পৰিয়ালটো যথেষ্ট সকাহ পায়। সেই কাৰণে কন্যা সন্তানক পঢ়া শুনাই বিভিন্ন স্বাৱলম্বী হোৱাৰ উপযুক্ত শিক্ষা দিয়াৰ পিছতহে বিয়াৰ কথা অভিভাৱক সকলে ভাবিব লাগে তেতিয়াহে নাৰী গৰাকী প্ৰকৃততে সুৰক্ষিত হ'ব। ছোৱালী জনীও নিজে যিকোনো পৰিস্থিতি মোকাবিলা কৰিব সাহস পাব। কিবা কাৰণত মাকৰ ঘৰখনত বিবাহ নোহোৱাকৈ অবিবাহিত থাকিলেও স্বাৱলম্বীতাই তাইৰ জীৱন চালিকা শক্তিক ইন্ধন যোগাব।গতিকে এই ক্ষেত্ৰত প্ৰথম পদক্ষেপ নাৰীক স্বাৱলম্বী কৰি গঢ়ি তোলা।

দ্বিতীয়তে আমাৰ ভাৰত বৰ্ষৰ দৰে অনুন্নত ৰাষ্ট্ৰত কন্যা সন্তানক আত্মৰক্ষাৰ কৌশল শিকোৱাৰ অতি প্ৰয়োজন।কাৰণ আমাৰ প্ৰায় ভাগ পিতৃ- মাতৃ অশিক্ষিত। তেওঁলোকে সন্তান সকলক কিছুমান ঘৰুৱা শিক্ষা ভালদৰে দিব নোৱাৰে, সেই কাৰণে বিদ্যালয়ত আত্মৰক্ষা আদিৰ বিষয় অন্তৰ্ভুক্ত কৰা খুবেই জৰুৰী।নহ'লে নাবালিকা বহুত ছোৱালী মাক হোৱা বাতৰি আদিত প্ৰায়ে পঢ়িব পাওঁ। গতিকে চৰকাৰে গুৰুত্ব সহকাৰে বিদ্যালয়ত অন্তৰ্ভুক্ত কৰিব লাগে। শাৰীৰিক আৰু মানসিক দুয়োটা বিষয় জড়িত কৰিব লাগে পাঠ্যক্ৰমত। এই ক্ষেত্ৰত সমাজ আৰু চৰকাৰ আৰু ঘৰখন সকলোৱে কিছুমান দিশ নিৰীক্ষণ কৰিব লাগিব। তেতিয়াহে নাৰী সুৰক্ষিত হ'ব। চৰকাৰ আৰু অভিভাৱকৰ অকণমান গুৰুত্ব দিবলগীয়া কথা। যাৰ কাৰণে যুৱচামৰ পৰা নাৰীসকল সুৰক্ষিত নহয়।

১) ডেনড্ৰাইট আদিৰ দৰে বিভিন্ন নিচাৰ জাতীয় বস্তুৰ প্ৰতি আসক্তিৰ একাংশ ব্যক্তিয়ে এই ৰেপৰ দৰে জঘন্য কাণ্ডত জড়িত হয়।

২) যুৱচামৰ একাধিক প্ৰতিশোধ পৰায়ন মনোভাৱ।

৩) ঘৰৰ বাতাবৰণ, কিছু অভিভাৱকৰ এজনে আনজনৰ প্ৰতিশ্ৰদ্ধাশীল মনোভাৱৰ অভাৱ যাৰ কাৰণে ঘৰৰ বিশৃংখল পৰিবেশ, সৰুৰে পৰা সিহতৰ কোমল মনত মানসিক ভাৱে ভাঙি পৰে, বিপথে পৰিচালিত হয়।

৪) মানসিক বিকাৰ গ্ৰস্ত এচাম।

৫) সংগ দোষ।

৬) অভিভাৱকে সন্তানক লাগ বুলিলেই সকলো মুখৰ আগত দাঙি ধৰা, পিছত ডাঙৰ হৈ সিহঁতে যদি নাপায় আক্ৰোশ মূলক আৰু জেদি হৈ পৰে যিকোনো ক্ষেত্ৰত।

৭) পুত্ৰ সন্তানক অগ্ৰাধিকাৰ বেছি পাই, অভিভাৱকে সিহঁতৰ সৰু সৰু ভুল বোৰ আওকাণ কৰিলে, পিছত কন্ট্ৰোল কৰিব নোৱাৰে।

৮) উচতনি মূলক মন্তব্য।

৯) চৰকাৰৰ আইনৰ গতি লেহেমীয়া যাৰ কাৰণে এই জঘন্য অপৰাধীৰ সাহস বাঢ়ি যায়।

১০) তাতোকৈ ডাঙৰ কথা সিহঁতক ৰক্ষাৰ কবচো বিছাৰি পায়।

এই সকলোবোৰ কাৰণৰ বাবেই আমাৰ নাৰী সকল পদে পদে বিপদৰ সন্মুখীন আৰু ধৰ্ষণৰ স্বীকাৰ হৈ আহিছে।গতিকে এইখিনি কথা অকণমান গুৰুত্ব দিলে আমাৰ নাৰী সমাজ সুৰক্ষিত হোৱাৰ লগতে নাৰী সকল স্বাৱলম্বী হিচাপে নিজক প্ৰতিষ্ঠিত কৰিব পাৰিব।

# এখুদ ককাইদেউ

**বিভা মহন্ত, নগাঁও**



চোতালৰ সন্মুখৰ
শিলিখা জোপাৰ তলত
ওমলি জামলি শৈশৱত
খেলিছিলা কতনা খেল।
সুন্দৰৰ পূজাৰী তুমি
এখুদ ককাইদেউ,
কবিতাৰ মালাৰে
অসমীয়া সাহিত্যত
কৰিলা চহকী ভাষা সাহিত্যৰ।
কবি তুমি নৱকান্ত,
কবিতাৰ চেকুঁৰত তুমি অক্লান্ত।
ৰিডিয়াই "ককা দেউতাৰ হাড়ে"
উপাধি পালা তুমি কপিলী পৰীয়া
তোমাৰ সৃষ্টিৰাজি, গুণৰ গৰিমা
অসমীয়াৰ কোঁহে কোঁহে প্ৰাণে প্ৰাণে।
সত্তৰ দশকতে শুনিছিলো
কলঙৰ পাৰৰ নেহেৰু বালিৰ বিহু তলীৰ
ভোগালী বিহুৰ মঞ্চত,
আজিও দোলা দিয়ে
তোমাৰ কবিতাই
মোৰ কৰ্ণ কুহৰত।
তুমি এফাঁকি স্তৱক গাইছিলা-
"বিহুৰ মৰম নহয় মৰম
যদিহে নিদিয়ে ভায়ে,
বিহুৰ পিঠা নহয় মিঠা
যদিহে নিদিয়ে আয়ে।"

অণুগল্পঃ

# উপহাৰ

**শৈলেন কুমাৰ, মিৰ্জা**



চহৰীয়া এজন বিখ্যাত পুজিপতি, তেখেতৰ ধনসম্পত্তি সাতপুৰুষে খাই আৰু এবাৰ জনম ল'ব লাগিব তথাপিও তেখেতৰ ধনসম্পত্তি শেষ নহব।চহৰীয়াৰ একমাত্ৰ পুতেক অনন্তৰ বিবাহ, বিবাহ উপলক্ষে বাপেকে চহৰীয়াই পুতেকক মনে বিচৰা উপহাৰ দিবলৈ থিৰাং কৰি অনন্তক কি উপহাৰ লাগিব বুলি শুধিলে। অনন্তই উত্তৰ দিলে মানুহৰ উচ্চ আকাংক্ষাক যদি সঠিক আৰু সাৰ্থক দিশ প্ৰদান কৰা নেযায় তেতিয়া সেই উচ্চ আকাংক্ষাই প্ৰকৃতি, জীৱকুলৰ লগতে গোটেই পৃথিৱীখনৰ বাবে ভাবুকি হৈ পৰে। পৃথিৱী আমাৰ প্ৰথম ঘৰ কিন্তু আমি অট্টালিকা, ভোগ বিলাসিতা আৰু উন্নয়নৰ অন্ধ উনমাদনাত পৃথিৱীখনক ধ্বংসৰ কৰাল গ্ৰাসলৈ ঠেলি দিছোঁ যাৰ পৰিণতি জলবায়ু পৰিবৰ্তন, অনতিপলমে যদি আমি প্ৰকৃতি ৰক্ষা নকৰোঁ তেতিয়া হ'লে জ্বলি ছাই হবলৈ আৰু বেছিদিন নাই গতিকে আপুনি যদি মোক উপহাৰ দিব বিচাৰে তেন্তেনৱপ্ৰজন্মই যাতে শুদ্ধ বতাহত, উশাহনিশাহ লব পাৰে, বিশুদ্ধ পানী খাব পাৰে তাৰবাবে মোক বৃক্ষৰোপণ কৰিবলৈ উপহাৰ হিচাপে গছৰ কলম দিয়ক।

# মাথোঁ অপেক্ষা

**শুৱলা বৰ্মন, গুৱাহাটী**



মোৰ এটি মন আছে এই বিশাল পৃথিৱীত
সুখ শান্তিৰে জীয়াই থাকিবলৈ,
এখন মুক্ত আকাশৰ তলত
আনৰ দুখ দুৰ্গতি মোছন কৰিবলৈ।
যিদিনা পৃথিৱীত সুখ শান্তি আহিব
সকলোৰে মন পবিত্ৰ হব,
ভাই ভাই মাজত কাজিয়া নহব
সিদিনাই মন সুখী হৈ পৰিব।
ডাইনী সন্দেহত কাকো জ্বলাই নিদিব
কন কণ মইনাহ'তে জীৱনৰ নিৰাপত্তা পাব,
সুৰক্ষিত হৈ পৰিব গোটেই জীৱন
সেইদিনাই পৃথিৱী ৰঙীন আৰু সুন্দৰ হব।
থাকিব মাথোঁ কেৱল সুখ সমৃদ্ধিৰে ভৰা জীৱন
ভাতৃঘাটি সংঘৰ্ষ আঁতৰি যাব,
কেৱল পৃথিৱীত থাকিব মাথোঁ
সুখ শান্তি কেৱল সুখ শান্তি।

# মুক্ত জীৱন

**যমুনা দুলু বৈশ্য**

জানা স্নেহা, মই তোৰ মা হওঁ, বেলেগ নহও বুজিছা মাক উদেষ্যা কিমান বুজাব। আকৌ কবলৈ ধৰিলে, সময়ে কাৰ জীৱনলৈ কেতিয়া দুৰ্যোগ নমাই আনে কোনেও নেজানে। সময় বৰ নিষ্ঠুৰ হৈ দেখা দিছিল মোৰ জীৱনত, কেতিয়াবা কান্দি কান্দি ওৰে ৰাতি পাৰ কৰিছিলো। ৰঙা পৰি উখহি গৈছিল দুচকু। চকুৰ পানীৰে বিছনাৰ গাৰু তিয়াই দিছিলো। তথাপি দেউতাৰেক কোনো দিন একো নকয় যি খিনি পাইছিলো তাকে লৈ সন্তুষ্ট থাকিবলৈ চেষ্টা কৰিছিলো। কিন্তু মনত এটাই সংকল্প কৰিছিলো তই মোৰ প্ৰথম সন্তান আৰু শেষ হয়। তোৰ বাবে ৰাতিক দিন কৰি পঢ়োৱাই ডাঙৰ কৰিলো। এতিয়া তই সৰু হৈ থকা নাই। মাত্ৰ আছে পাচটি বছৰ তোৰ পঢ়া শেষ হলেহে অন্তত নিজৰ ভৰিত থিয় হলেহে মনত শান্তি পাম মুক্ত মনে মুক্ত ভাৱে মুক্ত জীৱন এটি ল'ব পাৰিবি যেতিয়া, বহুত আগবাঢ়িলি আৰু তই আগুৱাই যাব লাগিব। তই পাৰিবি তোক বিয়া দিম স্নেহা তই পছন্দ কৰা লৰা টোৰ লগতে দিম। এতিয়া মোৰ ওচৰত তোৰ দেউতাৰে নাই। কিন্তু দেউতাৰে দিয়া জ্বালা যন্ত্ৰণা প্ৰত্যোক টি কথা হৃদয়ত জমা হৈ আছে। মোৰো শিক্ষা আছে বাহিৰত ওলাই গৈ কিবা কৰিব পাৰিলো হয় মই নকৰি ঘৰতে শাল খন লগাই আজি লৈ



চলি আছো। তই সৰু থাকোতে যেতিয়া বজাৰৰ পৰা মুখত ঘোহা, চাবোন, সামগ্ৰী বোৰ আনিবলৈ ক'লে তেতিয়া কি কয় জান দেউতাৰে নিজে উপাৰ্জন কৰি ল'ব নোৱাৰ। আজি বোলে ইটো কালি বোলে সিটো টকা গছত লাগে নেকি? বজাৰত যাবিচোন বস্তুৰ যিহে দাম। ঘৰত থাকি তই কি জানিবি। ল'ৰা এটি জন্ম দিব নোৱাৰিলি। জন্ম দিলি ছোৱালী অলপ ডাঙৰ হকচোন তোৰ দৰে মুখত ঘোহা ওঠত ঘহালে দি দি সময়ত ল'ৰা পালে আন এঘৰলৈ গুচি যাব। এই কথাবোৰ বৰকৈ মনত পৰে ঐ স্নেহা, মাকে কান্দি কান্দি কয় বিধৱা মা কথা এবাৰ অনুভৱ কৰচোন। মই পোৱা কষ্ট দুনাই তোক দিব নিবিচাৰো। নিজক প্ৰতিষ্ঠিত হৈ উচ্চ আসনত বহি মুক্ত জীৱনৰে সকলোতে কেৱল থিয় হ'ব লাগিব সৎ কৰ্ম ৰে আগুৱাই যাবি মানুহ হিচাপে।

**যোৱাখণ্ডৰ পৰা...**

# ৰঙিলী পথৰ যাত্ৰী

**নিতিষ্মান দাস**

মাতৃ-পিতৃৰ পাছত উদ্দীপ্ত ছাৰেই মোৰ জীৱনৰ এজন বিশেষ ব্যক্তি। সেইদিনা উদ্দীপ্ত ছাৰে মোৰ প্ৰথম কিতাপৰ proofcopy টো হাতত তুলি দিছিল আৰু ঘৰ গৈ পালে এবাৰ check কৰি চাবলৈ কৈছিল দেউতাক। কেৱল এয়েই নহয় সেইদিনা উদ্দীপ্ত ছাৰে মোৰ বাবে কেইটামান Chocolate, Cookies, SoanPapdi আৰু বহুত কিবাকিবি দিছিল। নাজানো পূৰ্ব জনমত কি এনে পূণ্য কৰিছিলোঁ যে এই জনমত মই উদ্দীপ্ত ছাৰক বিচাৰি পালোঁ। সচাকৈ আপোনতকৈও আপোন উদ্দীপ্ত ছাৰ। এনেকৈ কিছু মাহ বাগৰিল। বহু কষ্ট আৰু অপেক্ষাৰ মূৰত আহিল সেইদিনটো। মোৰ জীৱনৰ প্ৰথম কিতাপৰ উন্মোচনীৰ দিন। মোৰ কিতাপখন গুৱাহাটী প্ৰেছ ক্লাবত উন্মোচন কৰা হ'ব। মোৰ আনন্দৰ কোনো সীমা নাছিল।সেই কেইদিনৰ আনন্দ শব্দৰে বুজাব নোৱাৰা। অৱশেষত ২০২২ চনৰ ৩০ ডিচেম্বৰ তাৰিখে মোৰ জীৱনৰ প্ৰথম গ্ৰন্থ তথা কাব্য গ্ৰন্থৰ উন্মোচনী হ'ল গুৱাহাটীৰ লুইতৰ পাৰৰ প্ৰখ্যাত প্ৰেছ ক্লাবত। সেইদিনা মোৰ মনত বাৰে বাৰে বাজিব ধৰিছিল ভুপেন হাজৰিকা দেৱৰ এটি সমবেত গীত - "জিলিকাব লুইতৰে পাৰ।" তেতিয়ালৈকে কৰুণাৰ নামেহে নোহোৱা হৈ পৰিছিল। সকলো স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছিল। মই তাত মোৰ হৃদয়ৰ কথা কিছু পাঠক সকলক কৈছিলোঁ। নিমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকল আছিল - "মুকুল চক্ৰৱৰ্তীদেৱ, সাহিত্যিক গোপাল জালানদেৱ, হোমেশ্বৰ কলিতাদেৱ, পৱন আগৰৱালাদেৱ আৰু যুতিকা ওজা বাইদেউ।" সভাখনিৰ সভাপতিৰ আসন গ্ৰহণ কৰিছিল শ্ৰদ্ধাৰ মুকুল চক্ৰৱৰ্তী ছাৰে। তেখেতসকলে বহুতো জানিব লগা কথা আৰু কাব্যিকতাৰ গুণৰ কথা বিস্তাৰ কৰি কৈছিল। মই প্ৰথমে অপ্ৰস্তুত হৈছিলোঁ, কিন্তু পাছত তেখেতসকলৰ প্ৰেৰণামূলক কথাবোৰেমোৰ মন শান্ত কৰি তুলিছিল। মোৰ এনে ডাঙৰ ব্যক্তিৰ সৈতে কোনোদিনে চিনাকি হোৱা নাছিল, সেইবাবে অলপ ভয়-ভয়ো লাগিছিল। এনে মহান ব্যক্তিসকলৰ সান্নিধ্যত অহাৰ বাবে মই নিজকে ভাগ্যৱান বুলি গণ্য কৰোঁ। সভা ভংগ হোৱাৰ পাছত বহুতে মোৰ কিতাপ হাতত তুলি লৈছিল। কিমান যে ভাল লগা অনুভূতি আছিল সেইবোৰ। মোৰ সৈতে এজন এজনকৈ আহি হাত মিলাইছিল আৰু অনাগত দিনৰ বাবে মোক দুগুণে প্ৰেৰণা দিছিল।

উদ্দীপ্ত ছাৰে মোক কৈছিল- "তোমাৰ এতিয়া এখন বিশাল পাঠক সমাজ আছে। তুমি যাতে তেওঁলোকৰ বাবে, দেশৰ বাবে আৰু নতুন নতুন সাহিত্য ৰচনা কৰা।" মই উলাহেৰে কৈছিলোঁ — "হব ছাৰ।" দেউতাই বুকু ফুলাই কৈছিল- "এইয়া মোৰ ল'ৰা।" মোৰ মা আৰু পৰিয়ালৰ সকলো সদস্য মোক লৈ সেইদিনা গৌৰৱ অনুভৱ কৰিছিল। সকলো কাম ভালে-ভালেই হ'ল। কিন্তু উদ্দীপ্ত ছাৰে যোৱাৰ সময়ত এটা কথা মোক কৈছিল- "তুমি গল্প লিখিবাচোন। Next পুথিখন গল্প সংকলন উলিয়াব লাগিব দেই!"

"বাৰু ছাৰ মই চেষ্টা কৰিম।" -এইটো মোৰ উত্তৰ আছিল। সেইদিনাৰ পাছৰে পৰা মোৰ মনত ছাৰৰ এই কথাফাঁকি গুজৰী-গুমৰী আছিল। কবিতাৰ জগতৰ পৰা গল্পৰ জগতলৈ অহাটো মোৰ বাবে সহজ নাছিল। ইয়াৰ বাবে মোৰ হাতত আহিব লাগিব উপযোগী কিছু শব্দ, মনত আহিব লাগিব এটা ভাল কাহিনী ইত্যাদি ইত্যাদি। মই বাতৰি কাকতত নিতৌ গল্প বিচাৰি ফুৰিছিলোঁ আৰু বহুবাৰ পঢ়ি চাইছিলোঁ। এনেকৈ কিছু মাহ বাগৰিল। প্ৰায় তিনিমাহেহে পাৰ হ'ল। মই "মা দেউতাৰ সম হব কোন" শীৰ্ষকমোৰ জীৱনৰ প্ৰথম গল্প লিখিলোঁ। অৱশ্যে স্কুলৰ Magazine ত দিবৰ বাবে পূৰ্বে মই "দানবীৰ কৰ্ণ" শিতানৰ কৰ্ণৰ জীৱনীমূলক এটি সৰুকৈ Article লিখিছিলোঁ। কিন্তু মোৰ মনে সেইটো গল্পৰূপে গ্ৰহণ



নকৰে।

গল্পটো দেউতাক দেখুৱালো। দেউতাই মোৰ এনে কামত তবধ মানিছিল আৰু মাথোঁ মন্ত্ৰমুগ্ধ হৈছিল। মই এই গল্পটো ৰঙিলী বাৰ্তালৈ প্ৰেৰণ কৰিলোঁ আৰু উদ্দীপ্ত ছাৰে মোক পূৰ্বৰ দৰে উৎসাহিত কৰি গ'ল। মই ৰঙিলী বাৰ্তাৰ ওচৰত চিৰঋণী হৈ ৰ'ম। উদ্দীপ্ত ছাৰ আৰু ৰঙিলী বাৰ্ত্তা নাথাকিলে মই বোধকৰোঁ আজি কবি আৰু গল্পকাৰ ৰূপে গঢ় নাপালোঁ হয়। ৰঙিলী বাৰ্তাই কি দিয়া নাই! কত লোকৰ সাহিত্যক আগুৱাই নিছে এই ৰঙিলী বাৰ্ত্তাই। ৰঙিলী বাৰ্তাই যেন মোক প্ৰকৃততে দিছিল এক ৰঙিলী বাৰ্তা। ৰঙিলী বাৰ্তাৰ বাবেই আজি মই মোৰ নামেৰে দেউতাৰ চিনাকি দিবলৈ সক্ষম হৈছোঁ, গল্প লিখিব পাৰিছোঁ। ৰঙিলী বাৰ্ত্তাৰ প্ৰতিষ্ঠাপক তথা উদ্দীপ্ত ছাৰৰ পিতৃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি দেৱলৈ মোৰ এটি গভীৰ শ্ৰদ্ধাঞ্জলি। তেখেত আজি আমাৰ মাজত নাই, তথাপিও এই ৰঙিলী বাৰ্ত্তাৰ যোগেদি তেখেত অমৰ হৈ থাকিব যুগ-যুগান্তৰলৈ। তেখেতক শত-কোটি প্ৰণাম, এইৰঙিলী বাৰ্তাৰ প্ৰতিষ্ঠা কৰাৰ বাবে। তেখেতে যাতে ৰঙিলী বাৰ্তাক সৰগৰ পৰাই আৰ্শীবাদ কৰি ৰঙিলী বাৰ্তাক এনে মহৎ কাম কৰি যাবলৈ প্ৰেৰণা দিয়ে, তাৰেই মোৰ কামনা। ৰঙিলী বাৰ্তাই মোৰ জীৱনত সাঁচকৈ এটি ৰঙিলী পথৰ সন্ধান দিলে।

জনতাৰ চৰকাৰ | my GOV মেরী सरकार

सत्यमेव जयते

অসম চৰকাৰ

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

# খাদ্য সুৰক্ষা সুনিশ্চিতকৰণেৰে চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস



মাৰ্চ ২০২৪ ত

# অন্ন সেৱা দিন

**১-১০ মাৰ্চ ২০২৪**



এই বিশেষ দিনকেইটাত

**JANASANYOG-5039/23/10 - March - 24**

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত

**প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে**

**৩৫ কিঃগ্ৰাঃ চাউল** — অন্ত্যোদয়া অন্ন যোজনা(AAY)ৰ প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ

**৫ কিঃগ্ৰাঃ চাউল** — অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল(PHH)ৰ প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ

প্ৰদান কৰা হ'ব

মুঠ পৰিয়াল **৬৬,৩৮,১২৮টা**

মুঠ হিতাধিকাৰী **২,৩১,৮১,২৮৯গৰাকী**

## গ্ৰাহকলৈ আমাৰ আহ্বান

- এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
- লাভ কৰা চাউলৰ বিপৰীতে e-POS মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক

এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়াকৈ চাউল সংগ্ৰহ কৰক

## সুলভ মূল্যৰ দোকানীৰ কৰণীয়

- অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলক অৱগত কৰোৱা
- অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
- হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
- হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা

কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে

১৮০০-৩৪৫-৩৬১১ | ১৯৬৭ টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

আন্তৰ্জাতিক নাৰী দিৱসৰ চিন্তাঃ

# সমগ্ৰ সমাজখনে মহিলাৰ সুৰক্ষাৰ দিশটো গুৰুত্ব সহকাৰে লওঁক

মানসী মিশ্ৰ




সৌ সিদিনা আৰম্ভ হোৱা বছৰটোৰে তৃতীয় মাহত ভৰি দিলে। এইফালে মাৰ্চ মাহ আৰম্ভ হোৱাৰ লগে লগে মহিলাসকলৰ মাজত উগুল থুগুল। এই মাহটোৰ আৰম্ভণিতে আন্তৰ্জাতিক নাৰী দিৱসৰ আয়োজন কৰি ইগৰাকীয়ে সিগৰাকীক মনত পেলায়। কবলৈ গলে আঠ মাৰ্চ দিনটো যেন মহিলাসকলৰ বাবে সংৰক্ষিত এটা বিশেষ দিন। সদায় আনৰ বাবে কাম কৰি, চিন্তা কৰি নিজৰ বাবে ভাবিবলৈ আহৰি নোপোৱা মহিলাসকলে এই দিনটোতে যেন বিশেষভাৱে মনত পেলায়। আনফালে চাবলৈ গলে আজিৰ একবিংশ শতিকাৰ যুগতো যি যুগত মহিলাসকলে মহাকাশলৈ গৈছে, মহিলাই আকাশীযান চলাইছে, সেই সময়ত মহিলাৰ বাবে চিন্তা কৰিবলৈ বিশেষ দিন এটাৰ কিয় প্ৰয়োজন হল, এয়াও এক বিশ্লেষণ কৰিবলগীয়া বিষয়। এতিয়া বিজ্ঞান আৰু প্ৰযুক্তিৰ উত্তৰণেৰে আকাশ চুব খোজা যুগত আমি বাস কৰিছো। এইটো সময়ত মহিলা মহাকাশ বিজ্ঞানী হৈ মহাকাশলৈ গৈছে, বহু খ্যাতনামা চিকিৎসক হৈছে, প্ৰতিষ্ঠিত ব্যৱসায়ী হৈছে আৰু তাতোকৈ ডাঙৰ কথা মহিলা ৰাষ্ট্ৰপতি অৰ্থাৎ ৰাষ্ট্ৰপ্ৰধান পদতো নিৰ্বাচিত হৈছে। ইয়াৰ পিছতো মহিলা প্ৰকৃতপক্ষে সবল হৈ উঠিব পৰা নাই নেকি? অথচ আমাৰ এইখন দেশতেই নাৰীক দেৱীৰূপে, শক্তিৰূপে পূজা কৰা হয়। এগৰাকী নাৰী কাৰোবাৰ মাতৃ অথবা ভগ্নী, সেইগৰাকী নাৰীৰ ওপৰত চলে অকথ্য অমানৱীয় নিৰ্যাটন। এগৰাকী নাৰীয়ে মাতৃ হিচাপে, বোৱাৰী হিচাপে, কাৰোবাৰ কন্যা অথবা ভগ্নী হিচাপে এক মৰ্যাদা আৰু মৰমভৰা স্থান পোৱাৰ পিছতো নিমিষতে সকলো মৰ্যাদা চূৰ্ণীকৃত হৈ যায়। আমাৰ ৰাজ্যত বিশেষকৈ মহিলা উৎপীড়ণৰ ঘটনা অতি ভয়াবহ হাৰত বাঢ়িছে। প্ৰতিদিনে পুৱা বাতৰি কাকতখন পঢ়িলেই অথবা টিভিত বাতৰিটো চাবলৈ ল'লে মহিলাৰ ওপৰত হোৱা নিৰ্যাটনৰ বাতৰিয়ে মনটো শিহৰিত কৰে। মাত্ৰ কেইদিন মান আগতে নলবাৰী চহৰত এগৰাকী মহিলা আৰু তেওঁৰ বিশেষভাৱে সক্ষম পুত্ৰ সন্তানক মৃত অৱস্থাত পোৱা যায়। নিজৰ পুত্ৰৰ জন্মদিনৰ অনুষ্ঠান সমাপ্ত হোৱাৰ পিছত মাতৃ পুত্ৰক ঘৰৰ ভিতৰত ৰহস্যজনক ভাৱে মৃত অৱস্থাত পোৱাত আত্মীয়, ওচৰ চুবুৰীয়া সকলোৰে সন্দেহ ঘণীভূত হয়। ঘটনাৰ সময়ৰ পৰাই নিৰুদ্দেশ হৈ থকা তেওঁৰ স্বামীক হত্যাকাণ্ডৰ লগত জড়িত বুলি সকলোৰে সন্দেহ প্ৰকাশ কৰে। আৰক্ষীৰ তদন্তত এসপ্তাহ মানৰ ভিতৰত পলাতক স্বামীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। সৌ সিদিনা ধেমাজি জিলাত ৰেলৰ আলিৰ সমীপত এগৰাকী অৰ্ধনগ্ন অৱস্থাত মৃত যুৱতীক উদ্ধাৰ কৰা হৈছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত যুৱতী গৰাকীক কোনোৱে যৌন উৎপীড়ণ চলাই হত্যা কৰাৰ সন্দেহ কৰা হৈছে। পাৰ হৈ যোৱা বছৰটোত জনসাধাৰণৰ ৰক্ষাকৰ্তা মহিলা আৰক্ষী বিষয়াৰে ৰহস্যজনক অৱস্থাত মৃত্যু হল। আজি লৈকে ইয়াৰ সঠিক তদন্ত হৈ নুঠিল। দুৰ্ভগীয়া মাতৃয়ে একমাত্ৰ কন্যা সন্তানৰ এই ৰহস্যজনক মৃত্যুৰ উচিত তদন্ত বিচাৰি হতাশ হব লগীয়া হল। বছৰটোৰ প্ৰথমভাগতে গোৱালপাৰা জিলাত এগৰাকী প্ৰভাৱশালী মহিলা যি গৰকী মহিলা বিভিন্ন অনুষ্ঠানৰ সাংগঠনিক কাম কাজত জড়িত হৈ থকাৰ লগতে এটি শক্তিশালী ৰাজনৈতিক দলৰ কৰ্মকতা আছিল, তেনে মহিলাকো হত্যা কৰা হ'ল অতি বৰ্বৰভাৱে। হত্যাকগুৰ আগতে তেওঁৰ ওপৰত যৌন উৎপীড়ণ চলোৱাৰো প্ৰমাণ পোৱা গৈছে। একেদৰে তিনিচুকীয়া জিলাত ষষ্ঠশ্ৰেণীত পঢ়ি থকা কণমাণি কিশোৰী এগৰাকীক নিজৰ তাৰৈয়েকে ঘৰত অকলশৰে থকা অৱস্থাত বলাৎকাৰ কৰি উঠি পিছত হত্যা কৰিছিল। এনে জঘন্য ঘটনাই সকলোকে শিহৰিত কৰি তুলিছিল। সৌ সিদিনা সৰস্বতী পূজাৰ দিনাখন কি নাটকীয় ভংগিমাৰে যুৱতী সৰবৰাহ কৰা হৈছিল, সেই কথা নিশ্চয় আমাৰ সকলোৰে মনত আছে। সেই একেটা দিনতে ৰাজ্যৰ ভিন্ন ঠাইৰ পৰা একেৰাহে ৯ গৰাকী যুৱতী, কিশোৰী অপহৰণ কৰা হৈছিল। এই উল্লেখ কৰা ঘটনা সমূহ মাত্ৰ কেইটামান উদাহৰণহে। ৰাজ্যৰ চুকেকোণে প্ৰায় প্ৰতিটো দিনতে সংঘটিত হৈ থকা নাৰী নিৰ্যাটনৰ ঘটনাসমূহৰ মাত্ৰ কেইটামান ঘটনাহে সংবাদ মাধ্যমৰ যোগেদিহে পোহৰলৈ আহে বহু ঘটনা আমাৰ অলক্ষিতে ৰৈ যায়। আমাৰ চৌপাশে ঘটি থকা ঘটনা সমূহৰ পটভূমি আমি যদি বিশ্লেষণ কৰি চাঁও তেন্তে এই কথাটো ওলাই পৰে যে আমি সমাজত সততে যিসকল মহিলাক দুৰ্বল মহিলা বুলি ভাবি থাকোঁ, শিক্ষা দীক্ষা কম থকা, নিজস্ব উপাৰ্জন নথকা, অৰ্থনৈতিকভাৱে পিছপৰা মহিলা সকলে যে সমাজত ভিন্নধৰণৰ নিৰ্যাটনৰ সন্মুখীন হৈ আছে তেনে নহয়, বহু উচ্চ শিক্ষিত, স্বৱলম্বী, প্ৰতিভাৱান মহিলায়ো সমাজত বিভিন্ন উৎপীড়ণ, নিৰ্যাটনৰ মুখামুখি হৈ আছে। গতিকে মহিলা ৰাষ্ট্ৰ প্ৰধান, মহাকাশচাৰী বিজ্ঞানী আদি উচ্চ আসনত বহিলেও বহুসংখ্যক মহিলাই আমাৰ সমাজত বিভিন্ন ধৰণৰ উৎপীড়ণৰ সন্মুখীন হৈ আছে। মহিলা, যুৱতী সকলক এই পৰিস্থিতিত বিভিন্ন নিৰ্যাটনৰ বিৰুদ্ধে যুজঁ কৰিবলৈ ন্যায় প্ৰাপ্তি সুনিশ্চিত কৰিবলৈ মহিলাৰ

( নপৃষ্ঠাত চাওক)

# আন্তৰ্জাতিক নাৰী দিৱস আৰু কিছু উপলব্ধি

কবিতা শৰ্মা, নতুন দিল্লী

আজি আন্তৰ্জাতিক নাৰী দিৱস। প্ৰতি বছৰে সমগ্ৰ বিশ্বই ইংৰাজী আঠ মাৰ্চৰ এই দিনটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰি আহিছে। এতিয়া প্ৰশ্ন হয় দিৱসৰ প্ৰকৃত অৰ্থনো কি? কোনো এটা দিন বিশেষ ভাৱে, বিশেষ উদ্দেশ্য লৈ কৰাটোৰেই নহয় জানো? বিশেষভাৱে নাৰী দিৱস উদ্যাপন কৰাটোৱে বাৰু কি সূচায়? নাৰী জাতি বিলুপ্তিৰ পথত, তাক সংৰক্ষণ কৰাৰ প্ৰয়োজন। এয়া নাৰী জাতিৰ প্ৰতি সন্মান, অপমান, নে জনজাগৰণৰ এক প্ৰচেষ্টা।

এখন সমাজ গঢ়ি উঠে পুৰুষ আৰু নাৰীৰ যৌথ প্ৰচেষ্টাত। ঠিক তেনেদৰে সমাজ খন সুন্দৰ ভাৱে গঢ়ি তোলাৰ দায়িত্বও পুৰুষ আৰু নাৰী উভয়ৰে। অথচ জনাবুজা হোৱাৰ দিনৰে পৰা দেখি আহিছো কেনেদৰে নিজক মানুহ হিচাপে পৰিচয় দিয়াৰ ক্ষেত্ৰত নাৰীয়ে পদে পদে সমস্যাৰ সন্মুখীন হৈ আহিছে। বৰ্তমানৰ সমাজত নাৰীৰ অৱস্থা দেখি শংকিত হৈ পৰো ভৱিষ্যত প্ৰজন্মৰ কথা ভাবি। লাহে লাহে উপলব্ধি হৈছে যে সমাজত নাৰীক অৱনমিত কৰি ৰখাৰ এই মনোবৃত্তি একেদিনাই গঢ় লৈ উঠা নাই। যুগ যুগ ধৰি নাৰীক দমন কৰাৰ নৱ নৱ নীতি - নিয়মৰ সৃষ্টি হৈয়েই আছে। আমাৰ দেশতো প্ৰতি বছৰে নাৰী দিৱস উদযাপিত হৈ আহিলেও আমাৰ সমাজত নাৰী নিৰ্যাতনৰ নিৰ্মম ছবি এখনহে প্ৰতিফলিত হৈ আহিছে। আজি একবিংশ শতিকাতো নাৰী সুৰক্ষিত নহয়। প্ৰতিদিনে সংঘটিত হৈ থকা নাৰী নিগ্ৰহৰ ঘটনাই সকলো বিবেক সম্পন্ন মানুহৰ মনত আঘাত হানিছে। আজিও ঠায়ে ঠায়ে ব্যাপক হাৰত ঘটি থকা অপহৰণ, ধৰ্ষণ, যৌতুক দাবী, কন্যা ভ্ৰূণ হত্যা, ডাইনী সন্দেহত হত্যা, নাৰী




সৰবৰাহ, নাৰী দেহৰ ব্যৱসায়, বাল্য বিবাহ আদি নাৰী নিৰ্যাতনৰ ঘটনাই আমাৰ সমাজৰ প্ৰকৃত ছবি খন নিৰ্লজ্জ ভাবে উন্মুক্ত কৰিছে। আনহাতে নাৰী সুৰক্ষাৰ বাবে থকা আইনী ব্যৱস্থাবোৰ নাৰী সম্পৰ্কীয় অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে। অপৰাধীৰ শাস্তিৰ ব্যৱস্থা ৰাজহুৱা নোহোৱা, অপৰাধী আইনী সুৰুঙাৰে মুকলি আকাশৰ তলত ওলাই অহা আদিয়ে অপৰাধীক নাৰীৰ সম্পৰ্কীয় অপৰাধ বাৰে বাৰে কৰিবলৈ সাহসী কৰি তুলিছে। ভাৰতৰ অপৰাধ শাখাৰ মতে দেশত পঞ্জীয়ন হোৱা অপৰাধবোৰৰ শতকৰা পাচভাগ অপৰাধীয়েহে শাস্তি পায়। অৰ্থাৎ শতকৰা পচানব্বৈ ভাগ অপৰাধীয়ে শাস্তি নোপোৱাকৈয়ে সাৰি যায়।

আন এচাম এনে অপৰাধীও আছে যি সমাজত নিজকে শিক্ষিত ভদ্ৰলোকে দেখালেও পত্নীকে ধৰি আন মহিলাসকলৰ ওপৰত নানা ধৰণে শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাই। বৰ্তমান বিভিন্ন "মিডিয়া" যোগে শিক্ষাগুৰুৱে গৱেষক ছাত্ৰীৰ ওপৰত বা শিশুকন্যা সকল নিজ গুৰু বা কিছু পাষান পুৰুষৰ হাতত যৌন তথা মানসিক অত্যাচাৰৰ চিকাৰ হৈ আহিছে। কোনো নাৰীক প্ৰলোভন দি বা ভীতি গ্ৰস্ত কৰি সৰ্বস্ব লুট কৰাৰ চেষ্টা কৰা আমাৰ তথাকথিত শিক্ষিত সমাজখনৰ বাবে অতি লজ্জাজনক কথা। এনে ঘৃণনীয় সত্যতা সাহসেৰে উপস্থাপন কৰিবলৈ ভুক্তভোগীসকল আগবাঢ়ি অহাটো নিত্যান্তই প্ৰয়োজনীয়। আমাৰ পুৰুষপ্ৰধান সমাজত মহিলা সকল সততে সন্মুখীন হোৱা আন এবিধ অত্যাচাৰ হ'ল - ক্ৰোধৰ অত্যাচাৰ। ই পৰিয়ালেই হওক বা অফিচ কাছাৰীয়েই হওক বা যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানেই হওক ক্ৰোধত আক্ৰান্ত ব্যক্তিয়ে পাহৰিয়ে পেলাই যে ক্ৰোধ মানুহৰ এক কু - অভিব্যক্তি। ইয়াৰ পৰিনামতে অনেক নঘটিব লগীয়া ঘটনা বা কোনো কোনো ক্ষেত্ৰত কিছুমান ঘৃণনীয় আৰু অক্ষমণীয় অপৰাধো সংঘটিত হৈ উঠে। মনোবিশেষজ্ঞই ক্ৰোধক এক মানসিক ৰোগ আখ্যা দিছে। ক্ৰোধে কেবল সমাজতে নহয় পাৰিবাৰিক জীৱনতো অশান্তি নমাই আনে। ক্ৰোধৰ সলনি শান্তিপূৰ্ণ ভাবে আলোচনাৰ মাজেৰে যি কোনো সমস্যাৰ সমাধান কৰিব পৰা যায়।

আচলতে নাৰী নিৰ্যাতৰ এই অৱস্থাটোৰ বাবে দায়ী অতীতৰ পুৰুষতান্ত্ৰিক ব্যৱস্থাটোৱেই যে তাত কোনো সন্দেহ নাই। শাৰীৰিক দুৰ্বলতাৰ অজুহাতত নাৰীৰ ওপৰত ইতিমধ্যেই কিমান "নিষেধ" আৰোপ কৰা হৈছে তাক সচেতন মহলে ভালদৰে জানে। সমান প্ৰতিভা আৰু নানা গুণৰ অধিকাৰী হোৱা স্বত্বেও নাৰী কেনেকৈ বঞ্চিত হৈ আহিছে সেই কথা ভুক্তভোগী সকলৰ হৃদয়ত চকুলোৰে লিখা আছে। শাৰীৰিক ভাবে পুৰুষৰ সমান নহলেও মানসিক ভাবে যে নাৰী পুৰুষৰ সমান বা তাতকৈও বেছি তাত কোনো সন্দেহ নাই। নাৰী পুৰুষৰ লিংগ প্ৰভেদকাৰী ক্ৰম'জমে যে প্ৰতিভা নিৰ্ণয় নকৰে সেই তথ্যও বিজ্ঞানভিত্তিক। কিন্তু সমস্যা হৈছে নাৰী নিজেই নিজৰ সামৰ্থ্যৰ বিষয়ে নজনা আৰু জনাসকলো সচেতন নোহোৱা টোহে। আটাইতকৈ দুখৰ বিষয় যে নাৰী মুক্তিৰ বাবে এচাম নাৰীয়ে তেজক পানী কৰি

( নপৃষ্ঠাত চাওক)

যোৱাখণ্ডৰ পৰা...

# শিশু নাটকঃ বৈশিষ্ট্য আৰু ইয়াৰ প্ৰয়োজনীয়তা

এহিয়া আহমেদ, মৈৰাবাৰী

শিক্ষাৰ প্ৰভাৱত প্ৰগতিশীল চিন্তাৰ বিকাশৰ লগে লগে ৰক্ষণশীল মনোভাৱ নাইকিয়া হৈ শিশুসকলক নিজৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশৰ যথেষ্ট সুযোগ দিয়া হ'ল। শিশু নাট্যই ক্ৰমান্বয়ে সমগ্ৰ বিশ্বতে নিজৰ প্ৰভাৱ বিয়পাবলৈ ধৰিলে।

ভাৰতবৰ্ষত শিশু নাটকৰ যথেষ্ট বিকাশ হৈছে। ভাৰতৰ গল্প কোৱা আৰু পৰিবেশন কলাৰ চহকী ইতিহাস দেশৰ শিশু নাটকৰ ভেটি। পৰম্পৰাগত নাটক যেনে পুতলা, লোকনাট, ছাঁয়া নাটক ইত্যাদিক যুৱ দৰ্শকৰ প্ৰয়োজন পূৰণৰ বাবে অভিযোজিত কৰি পৰম্পৰাগত শিল্পৰূপত সমসাময়িক আখ্যান সন্নিবিষ্ট কৰা হৈছে। ভাৰতৰ শিশু নাট্যগোষ্ঠী আৰু সংঘই এই শিল্পকলাৰ জনপ্ৰিয়তা আৰু প্ৰচাৰৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। এই গোটসমূহে ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতি লক্ষ্য ৰাখি নাটকৰ আয়োজন কৰে। যুৱ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত তেওঁলোকে মুখ্য ভূমিকা পালন কৰিছে, উচ্চাকাংক্ষী শিশু শিল্পী, পৰিচালক, নাট্যকাৰৰ বাবে এক মঞ্চ প্ৰদান কৰিছে। ভাৰতত শিশু নাটকৰ বৃদ্ধিত চৰকাৰী পদক্ষেপ আৰু প্ৰতিষ্ঠানসমূহেও অৰিহণা যোগাইছে। সংগীত নাট্য একাডেমী, নেচনেল স্কুল অৱ ড্ৰামা, আৰু বিভিন্ন ৰাজ্যিক পৰ্যায়ৰ একাডেমীয়ে কৰ্মশালা, উৎসৱ আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে শিশু নাট্যক সহায় আৰু সহযোগ আগবঢ়াই আহিছে। কেৱল সেয়াই নহয় ডিজিটেল যুগে ভাৰতত শিশু নাট্যৰ বাবে নতুন বাট মুকলি কৰি দিছে। অনলাইন প্লেটফৰ্ম, লাইভ ষ্ট্ৰীমিং আৰু ডিজিটেল প্ৰদৰ্শনে ভৌগোলিক সীমা অতিক্ৰম কৰি থিয়েটাৰক বহল দৰ্শকৰ মাজলৈ লৈ গৈছে। শিশু নাট্যগোষ্ঠীসমূহে প্ৰযুক্তিৰ ব্যৱহাৰ কৰি পৃথিৱীৰ দুৰ্গম অঞ্চল সমূহলৈ প্ৰচাৰ অব্যাহত ৰাখিছে। বৰ্তমান বিজ্ঞানৰ অসাধাৰণ বিকাশৰ পৰ্যায়ত সমগ্ৰ দেশতৰ লগতে আৰু আমাৰ ৰাজ্যতো শিশু নাটৰ এক বিকশিত ৰূপ দেখা পোৱা গৈছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল আমাৰ ৰাজ্য চৰকাৰেও চৰকাৰী বিদ্যালয়সমূহৰ শিশু শিল্পৰ উন্নতিৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰী বিদ্যালয় সমূহৰ উপৰিও ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহতো শিশু নাটৰ ওপৰত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। বিদ্যালয়সমূহে অহৰহ বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰি শিশুসকলৰ প্ৰতিভাসমূহ প্ৰদৰ্শন কৰিছে, যিয়ে শিশুসকলৰ কলাত্মক গুণগত মান বিকাশৰ লগতে আগ্ৰহভিত্তিক শিক্ষা গ্ৰহণতো সহায় কৰিছে। নাটকীয়ভাৱে বিষয়বস্তু বুজি পোৱাটো অতি সহজ আৰু ৰং, প্ৰয়োজনীয় কাপোৰ-কানি আৰু আনুষংগিক সামগ্ৰী প্ৰয়োগ কৰি নাটকখন পৰিবেশন কৰাৰ অভিজ্ঞতাই শিশুসকলক এক অনন্য আনন্দ দিয়ে। সাম্প্ৰতিক সময়ত শিশু আৰু অভিভাৱকৰ সমাজৰ প্ৰতি থকা আগ্ৰহৰ বাবেই শিশু নাটকৰ ভৱিষ্যত উজ্জ্বল বুলি ক'ব পাৰি। একাংশ অভিভাৱকৰ ৰক্ষণশীল চিন্তাধাৰাই শিশুসকলৰ মানসিক বাধাৰ সৃষ্টি কৰে। একাংশ অভিভাৱকে শিশুসকলক শৈক্ষিক ভাৱে বিকশিত কৰিবলৈ অকল কিতাপৰ মাজতে আবদ্ধ কৰিব বিচৰাটো কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। কিতাপৰ বিষয়বস্তু এটা শিশুসকলক বুজাবলৈ মনোৰঞ্জনমূলক ৰহণ সানি নাটকীয় ভাৱে অতি সহজতে বুজাব পাৰি। শিশুসকলক প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সুযোগ প্ৰদান কৰিব লাগে। দেখা যায় যে একাংশ শিশু ভয়াতুৰ তথা লাজুকী স্বভাৱৰ। তেনে শিশুসকলে মুকলি মঞ্চত প্ৰতিভা প্ৰদৰ্শন বা নাটকত অভিনয় কৰি অতি সহজতে লাজ আৰু ভয়ক জয় কৰিব পাৰে। প্ৰতিভা প্ৰদৰ্শন তথা নাটকত অভিনয় কৰি শিশুসকলৰ-

১. প্ৰবল আত্মবিশ্বাস আৰু সাহস বৃদ্ধি পায়।

২. একাগ্ৰতা শক্তি বৃদ্ধি পায়।

৩. যোগাযোগ শৈলীৰ বিকাশ ঘটায়।

৪. সহযোগিতাৰ মনোভাৱ বৃদ্ধি কৰে।

৫. আবেগিক সুস্থতাৰ বিকাশ হয়।

৬. শাৰীৰিক বিকাশত সহায় কৰে।

৭. সৃষ্টিশীল শক্তিৰ বিকাশ ঘটে।

আগলৈ...

# আন্তৰ্জাতিক নাৰী দিৱস

পৰিশ্ৰম কৰাৰ বিপৰীতে আন এচামে মুক্তি বা স্বাধীনতাৰ অৰ্থ শুদ্ধভাৱে হৃদয়ঙ্গম কৰিব নোৱাৰি ইয়াৰ অপব্যৱহাৰ কৰিছে। নাৰীৰ হাতত নাৰী উৎপীড়িতা হোৱা ঘটনাও কম নহয়। আমি নাৰীসকলে সুৰক্ষা বিচাৰো ঠিকেই কিন্তু আমিয়েই কেতিয়াবা নাৰীক অসুৰক্ষিত অৱস্থালৈ ঠেলি দিওঁ। এচাম নাৰীয়ে নাৰীক দোষী সাব্যস্ত কৰি আইন হাতত তুলি লোৱাও দেখা যায়। এই কথা স্পষ্ট যে নাৰী মুক্তিৰ অৰ্থ পুৰুষক তলত ৰখাটো কেতিয়াও নহয়। ইয়াৰ সহজ অৰ্থ সম অধিকাৰহে। এই কথা স্বীকাৰ কৰিবই লাগিব যে আজি বহু নাৰীৰ মাজত সচেতনতাৰ যি বীজ অঙ্কুৰিত হৈছে তাত সহায় কৰা সকল কিন্তু একো একোজন পুৰুষহে আছিল। অসমৰ আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱাৰ দৰে সৰ্বভাৰতীয় ক্ষেত্ৰত ৰাজা ৰামমোহন ৰায়, মহাত্মাগান্ধী, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, স্বামী বিবেকানন্দৰ দৰে মহাপুৰুষৰ প্ৰচেষ্টাতহে নাৰী মুক্তি আন্দোলনে গতি লাভ কৰিছে। আজিৰ মহিলা সকলে সমাজৰ সকলো দিশত আগবাঢ়ি গৈ সমাজত এখন সুকীয়া আসন গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। জ্ঞান-বিজ্ঞান, কলা -সংস্কৃতি, প্ৰযুক্তি বিদ্যা, ৰাজনীতি আদিতো নাৰী পাছ পৰি থকা নাই। দেশৰ সকলো প্ৰতিযোগিতা মূলক বিষয়ত আগভাগ লৈছে। কৃতকাৰ্য্যও হৈছে। আনকি পৰ্বত বগোৱা, যুজাঁৰু বিমান চলোৱা, মহাকাশ যাত্ৰাত অংশ গ্ৰহণ কৰা আদি সকলো দিশতে নাৰীসকলে অগ্ৰাধিকাৰ পাইছে যেতিয়া তেনে ক্ষেত্ৰত এই প্ৰশ্ন সততে উঠিব পাৰে যে নাৰী দিবস বা নাৰী সবলীকৰণৰ প্ৰয়োজননো ক'ত? কিন্তু কথা হ'ল সমাজৰ মুষ্টিমেয় নাৰী শিক্ষা- দীক্ষাত আগবাঢ়ি গ'লেই সামগ্ৰিক ভাৱে আগবাঢ়ি যোৱা নুবুজায়। যিখন দেশৰ নাৰী ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী, লোকে সভাৰ অধ্যক্ষা, মুখ্যমন্ত্ৰী, ৰাজ্যপালকে আদি কৰি বিভিন্ন বিভাগৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে সেইখন দেশৰ অঞ্চল বিশেষে এতিয়াও নাৰীয়ে নাজানে স্বাধীনতা কি, পৰাধীনতাই বা কি, স্ত্ৰী শিক্ষা কি, বা কিয় ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিব লাগে। বৰ্তমান ল'ৰাতকৈ ছোৱালীক শিক্ষা দানৰ ক্ষেত্ৰত কম গুৰুত্ব দিয়া পুৰণিকলীয়া চিন্তাৰ কিছু সলনি হৈছে যদিও তাৰ অৱশেষে সময়ে সময়ে নাৰীৰ অগ্ৰগতিৰ বাটত হেঙাৰ সৃষ্টি নকৰাকৈ থকা নাই। অৰ্থবান, মধ্যবিত্ত সমাজৰ নাৰীৰ মাজত শিক্ষিতাৰ সংখ্যা বাঢ়িছে কিন্তু নিম্নবিত্ত দুখীয়া সকলৰ মাজত শিক্ষা সম্পূৰ্ণ নকৰা সকলৰ সংখ্যা অধিক। নতুন শিক্ষানীতি, সৰ্বশিক্ষা মিছন অভিযান আদিৰ জৰিয়তে শিক্ষা ব্যৱস্থা, পাঠ্যক্ৰম, মূল্যায়নৰ ক্ষেত্ৰত নতুন ৰূপদানৰ প্ৰচেষ্টা লোৱা হৈছে যদিও নাৰী শিক্ষাৰ সামগ্ৰিক ছবিখন উন্নীত হোৱা নাই। আনহাতে মহিলা কল্যাণৰ বাবে চৰকাৰে যি যি কৰিছে শিক্ষাৰ অভাৱতে সেইবোৰ সফল হব পৰা নাই। নাৰীৰ উন্নতি মাথোঁ তেতিয়াহে সম্ভৱ হব যেতিয়া তেওঁলোকক শিক্ষিত কৰি তোলা হব। শিক্ষাহে একমাত্ৰ অস্ত্ৰ যি নাৰীক মুক্তি প্ৰদান কৰিব পাৰে। সামগ্ৰিক ভাৱে এখন দেশ বা সমাজ আগবাঢ়িবলৈ হলে-গাৱৰ চুকে-কোণে নিষ্পেষিতা হৈ পৰি থকা মহিলা সকলৰ পৰা সকলো পৰ্যায়ৰ সকলো মহিলাই সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সকলো দিশতে অগ্ৰসৰ হব লাগিব। দেশৰ বা জাতিৰ উন্নতিৰ সংজ্ঞা দিবলৈ হলে আব্দুল কালামৰ কথাৰেই কব লাগিব- যিহেতু মহিলাৰ প্ৰমূল্যবোধে পৰিয়াল, ভাল সমাজ আৰু ৰাষ্ট্ৰ গঢ়ি তোলে সেই নিমিত্তে তেওঁলোকৰ কৰ্মসংস্থাপন হোৱাটো অত্যন্ত জৰুৰী। ড° সৰ্বপল্লী ৰাধা কৃষ্ণণেও কৈছে- মহিলা সকলে পুৰুষৰ দৰে সৰ্বাত্মক বিকাশৰ বাবে দাবী কৰাৰ অধিকাৰী। এখন সমাজৰ সাংস্কৃতিক আৰু আধ্যাত্মিক প্ৰকৃত মূল হৈছে- সেই সমাজৰ নাৰী সকল। সেয়ে নাৰী সকলেও সমাজৰ গুৰুত্ব উপলব্ধি কৰি নাৰী সত্বা ৰক্ষা কৰিবলৈয়ো সচেষ্ট হব লাগিব। নাৰী দিবস মান মাত্ৰ এটা দিন নহয়। প্ৰতিদিনৰ সন্মান। কেইজনমানে হাতত পোষ্টাৰ লৈ মিছিল কৰি মোমবাতি জ্বলাই নাৰী নিৰ্যাতনৰ ঘটনাক বাধা দিব পৰা নাই আৰু ভৱিষ্যতেও নোৱাৰে। টিভিৰ পৰ্দাত চোকাচোকা বক্তৃতা দিও সমস্যাৰ সমাধান নহয়। লাগে শিক্ষা সচেতনতা, মানসিক বিকাশ। এতিয়া নাৰী পুৰুষৰ মাজত প্ৰতিযোগিতা কৰা সময় নহয়। সহযোগিতাৰে আগবঢ়াৰহে সময়। পুৰুষ স্বয়ংসম্পূৰ্ণ নহয়। নাৰীও নিজে নিজে পূৰ্ণ নহয়। নাৰী বা পুৰুষ ইজন আনজনৰ পৰিপূৰক। নাৰী আৰু পুৰুষৰ মিলনতে প্ৰাণ পায় উঠে সৃষ্টিৰ এই প্ৰক্ৰিয়া। গতিকে কোনেও কাৰো গালৈ বোকা নছটিয়াই সুস্থ আলোচনাৰে যদি সমস্যাবোৰ সমধান কৰাৰ চেষ্টা কৰে তেতিয়াহে মানুহ হৈ জন্ম হোৱাৰ সাৰ্থকতা পাব। সিদিনাৰ পৰাই পৃথিৱীয়ে কদৰ্যতাৰ কালিমা ধুই নিকা জীৱনৰ জয়গান গাব। কোনো নাৰীবাদৰে প্ৰয়োজন নহব। সকলোকে নাৰী দিৱসৰ অভিনন্দন জনালোঁ। প্ৰতিগৰাকী নাৰীয়েই হওক সমাজ আৰু জাতিৰ ধৰণীস্বৰূপ তাৰেই কামনাৰে।

# সমগ্ৰ সমাজখনে মহিলা

সপক্ষে বহু আইন, আইনী সুৰক্ষা ইতিমধ্যে আছে দেশত। কিন্তু এইটোও ঠিক যে মাত্ৰ কেইখমান আইন বলৱৎ হৈ থাকিলেই মহিলা, যুৱতী সকলৰ সুৰক্ষা নিশ্চিত হ'ব নোৱাৰে। তৃণমূল পৰ্য্যায়ৰ পৰা একেবাৰে উচ্চ স্তৰলৈ প্ৰতিগৰাকী মহিলাই প্ৰথমতে সজাগ সচেতন হব লাগিব নিজৰ অধিকাৰ, সুৰক্ষা আদিৰ ক্ষেত্ৰত। মহিলাসকলে মহিলা সকলৰ মাজত পাৰস্পৰিক সন্মান, সহযোগিতা আদি বজাই ৰাখিব লাগিব। পুৰুষেই হওঁক, মহিলাই হওঁক কোনেও মহিলাক এটা পৃথক শ্ৰেণী অথবা দুৰ্বল শ্ৰেণী তেনেধৰণৰ ভাৱ মনলৈ আনিব নালাগে। মহিলাকো এগৰাকী ব্যক্তি বুলি ভাবি লৈ মহিলাৰ অধিকাৰ, সুৰক্ষা আদিৰ ক্ষেত্ৰত সংবিধান প্ৰদত্ত অধিকাৰ সমূহ ৰক্ষা কৰাৰ ক্ষেত্ৰত সুযোগ দিব লাগে। মহিলাক যথোপযুক্ত সন্মান আৰু সুৰক্ষা প্ৰদান কৰা কথাটো নিজৰ ঘৰখনৰ পৰাই আৰম্ভ হ'ব লাগিব। নিজৰ ঘৰখনে, পৰিয়ালটোৱে মহিলাক প্ৰাপ্য সন্মান আৰু সুৰক্ষাখিনি প্ৰদান কৰিব পাৰিলে সমাজৰ বাকী সকলেও দিব। মহিলাক বিভিন্ন প্ৰকাৰৰ উৎপীড়ণৰ পৰা সুৰক্ষা দিবলৈ ইতিমধ্যে যি সমূহ আইন কানুন প্ৰৱৰ্তন কৰা হৈছে সেইসমূহ কেৱল মহিলা সকলৰ মাজতে সীমাবদ্ধ ৰাখিলে নহ'ব। পুৰুষসকলৰ মাজতো ইয়াৰ উপযুক্ত সজাগতা প্ৰদান কৰিব লাগিব। বিগত কিছুদিন ধৰি দেখা গৈছে যে ৰাজধানী মহানগৰীতে হওঁক মহিলা, যুৱতী, কিশোৰী সকলৰ ওপৰত হোৱা যৌনউৎপীড়ণ ভয়াবহ হাৰত বৃদ্ধি পাব ধৰিছে। একাংশ পুৰুষ আৰু যুৱসমাজ একাংশই মহিলা, যুৱতীসকলক পণ্যসামগ্ৰী বুলিয়েই দাবী কৰে। গতিকে তেওঁলোকতকৈ কনিষ্ঠ, জেষ্ঠ কাকোৱেই বেয়া দৃষ্টিৰে চাবলৈ, বেয়া ব্যৱহাৰ কৰিবলৈ অকণো সংকোচ নকৰে। এই ক্ষেত্ৰত এই সকল ব্যক্তিক কেৱল আইন প্ৰণয়ণ কৰিয়েই যে অপৰাধ নিৰ্মূল কৰিব পৰা যাব এইটো নহয়। এই সকল লোকৰ ভিতৰত মানসিকতাক পৰিৱৰ্তন হব লাগিব। কথাটো হ'ল তেওঁলোকৰ মানসিকতাৰ পৰিৱৰ্তন কোনে কৰিব। পৰিয়ালৰ লোকসকলে এইক্ষেত্ৰত আগভাগ লব লাগিব আৰু নিজে নিজৰ মনৰ পৰা কুৎসিত, ঠেক মনোবৃত্তি বাদ দিব লাগিব। সেয়েহে আমাৰ পৰিয়াল সমূহত পুত্ৰ সন্তান কিছু ডাঙৰ হৈ অহাৰ পৰাই অভিভাৱক সকলে মহিলা সকলৰ প্ৰতি সন্মান বজাই তুলিব পৰাকৈ শিক্ষা প্ৰদান কৰিব লাগিব। সৰুৰে পৰাই যদি ল'ৰা সকলে মহিলাক মাতৃ, ভগ্নী, বাইদেউ আদি সন্মান সূচক দৃষ্টিভংগীৰে চাব পাৰে তেন্তে সমাজত মহিলাৰ ওপৰত হোৱা নিৰ্যাটন বহু পৰিমাণে কমি যাব। মহিলাসকলে সমাজত সন্মান সূচক আৰু সুৰক্ষিত ভাৱে জীয়াই থকাৰ সুবিধা খিনি পালেহে প্ৰতিবছৰে আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰাটো সফল আৰু সাৰ্থক হব।

অতীজৰ পৰাই নাৰীক মাতৃ, পত্নী, ভগ্নীৰূপে মৰ্যাদাপূৰ্ণ আসন দি অহা হৈছে। গতিকে প্ৰতি গৰাকী মহিলাই সমাজত সন্মান সহকাৰে জীয়াই থকাৰ সুবিধা পোৱাটো নিশ্চিত কৰিব লাগে। Dignity is her right । নাৰী আৰু পুৰুষৰ সহযোগিতাৰ মাজেদিহে এখন সুন্দৰ সমাজ গঢ়ি উঠে। সেয়েহে প্ৰতিগৰাকী মহিলাই যাতে সমাজত উপযুক্ত সন্মান আৰু মৰ্যাদা সহকাৰে জীয়াই থাকিব পাৰে এই কথাটোত মহিলাসকলৰ লগতে পুৰুষ সকলেও সমানে গুৰুত্ব দিব লাগে।

# মনোজ কুমাৰ গোস্বামীৰ ঘৰৰ

হোৱাৰ পিছতো তেওঁক আজি পৰ্যন্ত কি কাৰণত গ্ৰেপ্তাৰ কৰা হোৱা নাই । তেওঁক কি কাৰণ বশত অসম চৰকাৰে ৰক্ষনা বেক্ষণ প্ৰদান কৰি আছে। অসমৰ দুই জনগোষ্ঠীৰ মাজত সংঘাট লগাবৰ বাবে প্ৰয়াস কৰা দালালৰ ঘৰৰ সন্মুখত কি কাৰণে শ শ আৰক্ষী মোতায়ন কৰিছে? সকলো কিন্তু সাঁথৰ হৈ ৰ'ল। মুখপাত্ৰ গৰাকীয়ে গোস্বামীক ২৪ ঘণ্টাৰ ভিতৰত নিজৰ ভুল স্বীকাৰ কৰি অসমৰ ৰাইজৰ আগত ক্ষমা খুজিবলৈ আহ্বান জনায় অন্যথা যদি তেওঁ কৰবাত কেনেবাকৈ অপদস্থ হ'বলগীয়া হয় তাৰ বাবে কিন্তু টাই আহোমৰ দল সংগঠন জগৰীয়া নহয় বুলি জানিবলৈ দিয়ে। অন্যহাতে মহিলা পৰিষদৰ উপদেষ্টা ৰেখা বৰগোঁহাই জানিবলৈ দিয়ে যে স্বৰ্গদেউ সকলে বৃহত্তৰ অসমীয়া জাতি গঢ়িবৰ বাবে নিজৰ ভাষা ধৰ্মক এৰি দিলে আৰু আজি সেই সকলক নৃসংশ অত্যাচাৰী সজালে। কি সাহসত মনোজ গোস্বামীয়ে আজি পৰ্যন্ত নিজৰ সামাজিক মাধ্যমৰ পষ্টটো উঠাই লোৱা নাই। আজি অসমৰ ৰাইজ ক্ষোভিত, দল সংগঠন ক্ষোভিত। টাইপাৰ কামৰূপ জিলাৰ সভাপতি বিশ্বজ্যোতি ফুকনে অসম চৰকাৰৰ ওচৰত দাবী জনায় যে গোস্বামীক ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰ কৰা নহয় তেতিয়া হ'লে অসমত আৰু জংগী আন্দোলন গঢ়ি তোলা হ'ব ।

# বিজেপিৰ কিষাণ মৰ্চাৰ নেতা

বছৰ ধৰি কংগ্ৰেছৰ মণ্ডল সভাপতি চামেল টুটী, ধৰিয়া দিঘলীয়াৰ কংগ্ৰেছৰ প্ৰাক্তন মণ্ডল সম্পাদক জ্যোতিষ শেনচোৱা আৰু ধৰিয়া দিঘলীয়াৰ প্ৰাক্তন কংগ্ৰেছ ব্লক মণ্ডল বিত্ত সম্পাদিকা ৰেণু মেছেও একেটা অনুষ্ঠানতে আপত যোগদান কৰে। এইসকল ব্যক্তিয়ে বিজেপিৰ দুৰ্নীতি আৰু সাম্প্ৰদায়িকতাৰ পৰিৱৰ্তে আম আদমি পাৰ্টীৰ সততা আৰু উন্নয়নৰ ৰাজনীতিৰ প্ৰতি আকৃষ্ট হৈ আপত যোগদান কৰিছে- এই মন্তব্য আপ, অসমৰ ৰাজ্যিক কমিটীৰ।

# ডিব্ৰুগড় আৰক্ষী আৰু বন বিভাগ

ৰৌমৰিয়া, মাইজান, পাঁচআলিঘাট আদি কৰি একাংশ ঠাইত কাঠৰ ব্যৱসায়ীয়ে নিজৰ মৈমতালিৰে অবৈধ ব্যৱসায় কৰি আছে। এই ব্যৱসায় ডিব্ৰুগড়ত দিনে দিনে বাঢ়িব ধৰিছে। ডিব্ৰুগড়ত ইমান বোৰ কাঠৰ বিপনি খোলা দেখা যায়। এই বিপনি সমূহক ব্যৱসায়ৰ বাবে কাঠৰ প্ৰয়োজন হয়। এই সকলক কোনে আৰু কৰ পৰা ব্যৱসায় কৰিবলৈ কাঠৰ যোগান ধৰে। সেই বিষয়টো লক্ষণীয়। ডিব্ৰুগড়ৰ বন বিভাগে কাঠৰ বিপনি সমূহৰ ওপৰত চাদেন ভিজিত দিলে সকলো কথা ওলাই পৰিব। বিপনিত কিমান কাঠ আছে চৰকাৰী টিপিৰ পৰিমাণ কিমান, সকলো তথ্য অনুসন্ধান কৰিলে জলজল পটপত সকলো ওলাই পৰিব বুলি ৰাইজৰ ধাৰণা।

# ১২৫ ফুট উচ্চতাৰ বীৰ লাচিত

উপস্থিত ৰাইজক সম্বোধন কৰে। ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজকে সৌভাগ্যৱান বুলি উল্লেখ কৰি কয় যে বীৰ লাচিত বৰফুকন অসমৰ সাহস আৰু দৃঢ়তাৰ প্ৰতীক। ২০২২ চনত নতুন দিল্লীত মহান বীৰগৰাকীৰ ৪০০ সংখ্যক জন্মজয়ন্তী অতি আড়ম্বৰ আৰু সন্মানেৰে উদযাপন কৰাৰ কথা স্মৰণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাহসী যোদ্ধাজনৰ প্ৰতি মূৰ দোৱায়। লাচিত বৰফুকনৰ এই ১২৫ ফুট ব্ৰঞ্জৰ প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰি উলিয়াইছে বিশ্ববিশ্ৰুত ভাস্কৰ্য শিল্পী ৰাম ভাঞ্জী সুতাৰে। এইগৰাকী শিল্পী ৰাম ভাঞ্জী সুতাৰেই বিশ্বৰ আটাইতকৈ ওখ ঐক্যমূৰ্তি (Statue of unity), চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিমূৰ্তিটোৰ নেতৃত্ব দিছিল। উল্লেখ্য যে ২০২২ বৰ্ষত ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে ভাৰ্ছুৰেলী লাচিত মৈদামৰ স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল ।

# এখন বিকশিত ভাৰতৰ বাবে

এমএছপি বৃদ্ধি কৰিছে। যাৰ ফলত ৰাজ্যৰ মৰাপাট খেতিয়কসকল উপকৃত হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাইজৰ মৰম আৰু আদৰৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি কয় যে প্ৰতিজন ভাৰতীয়ই তেওঁৰ পৰিয়াল। ভাৰতৰ ১৪০ কোটি নাগৰিকক তেওঁৰ পৰিয়াল বুলি বিশ্বাস কৰাৰ বাবেই নহয়, দিনে-নিশাই তেওঁলোকক সেৱা আগবঢ়াই থকাৰ বাবেই মোদীৰ ওপৰত জনতাৰ মৰমৰ সূচনা হয়। এই অনুষ্ঠানটোৱে এই বিশ্বাসক প্ৰতিনিধিত্ব কৰাৰ কথা উল্লেখ কৰি মোদীয়ে ভাষণত কয় যে আজি সভাস্থলীত বিপুল জনসমাগমৰ লগতে ৰাজ্যখনৰ ২০০ টা ভিন্ন স্থানৰ পৰা আজি দুই লাখ লোকে এই সভাত যোগদান কৰিছে। তেওঁৰ আগমনৰ সময়ত গোলাঘাটৰ জনসাধাৰণে হাজাৰ হাজাৰ বন্তি জ্বলোৱাৰ দৃশ্য প্ৰত্যক্ষ কৰাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে জনসাধাৰণৰ মৰম আৰু আদৰেই তেওঁৰ বৃহৎ সম্পদ হিচাপে গঢ় লৈ উঠে। 'বিকাশ ভি ঔৰ বিৰাসত ভি' বিকাশৰ লগতে ঐতিহ্যও আমাৰ ডাবল ইঞ্জিন চৰকাৰৰ মন্ত্ৰ হৈ অহাৰ কথা উল্লেখ কৰি ভাষণত মোদীয়ে কয় যে আন্তঃগাঁথনি, স্বাস্থ্য আৰু শক্তিখণ্ডত অসমে দ্ৰুত অগ্ৰগতি লাভ কৰিছে। ভাষণত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে আজি মুকলি কৰা ৫,৫৫,৫৫৫ টা পি এম আৱাস কেৱল ঘৰ নহয়, শৌচাগাৰ, গেছ সংযোগ নহয়, বিদ্যুৎ আৰু পাইপৰ পানী সংযোগ আদি সুবিধাৰে সজ্জিত কৰা হৈছে। এতিয়ালৈকে ১৮ লাখ পৰিয়ালক এনে ঘৰৰ ব্যৱস্থা কৰা হৈছে আৰু এই ঘৰবোৰৰ বেছিভাগেই মহিলাৰ নামত থকাত তেওঁ সুখ প্ৰকাশ কৰে। অসমৰ প্ৰতিগৰাকী মহিলাৰ জীৱন সহজ কৰি তোলা আৰু তেওঁলোকৰ সঞ্চয়ৰ উন্নতিৰ বাবে চৰকাৰৰ দায়বদ্ধতাক পুনৰ উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে আন্তৰ্জাতিক নাৰী দিৱসত গেছ চিলিণ্ডাৰৰ মূল্য ১০০ টকা হ্ৰাস কৰাৰ সিদ্ধান্তৰ বিষয়ে উল্লেখ কৰে। আয়ুষ্মান কাৰ্ডৰ দৰে আঁচনিসমূহেও মহিলাসকলক উপকৃত কৰিছে। জলজীৱন অভিযানৰ অধীনত অসমত ৫০ লাখৰো অধিক পৰিয়ালে পাইপৰ পানীৰ সংযোগ লাভ কৰিছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বন্দৰ, জাহাজ, জলপথ আৰু আয়ুস দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, প্ৰাকৃতিক গেছ আৰু পেট্ৰলিয়াম দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, কৃষি আৰু পশুপালন বিভাগৰ মন্ত্ৰী অতুল বৰা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, হস্তশিল্প আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাও উপস্থিত থাকে।

# ধিং সমষ্টিৰ কান্ধুলীমা

ড° ৰফিকুল ইছলাম উপস্থিত থাকি তেওঁৰ ভাষণত কয়- ৰাজেন গোহাঁই, প্ৰদ্যুৎ বৰদলৈয়ে আপোনা লোকৰ কথা সাংসদত উত্থাপন কৰা নাই। ৰাইজ, এ আই ইউ ডি এফে এইবাৰ ৯ নং নগাঁও লোকসভা সমষ্টিত এজন সৎ আৰু সাহসী বক্তি হিচাপে পৰিচিত হাজী আমিনুল ইছলামক দলে টিকট দিছে। আপোনালোকে ইছলামক দিল্লীলৈ পঠিওৱাক। নিশ্চয় আপোনালোকৰ সমস্যা সমাধান হ'ব। বি জে পি আৰু কংগ্ৰেছ আপোনালোকৰ ওচৰত আহিব। বন্ধু গন, বি জে পি এটা সম্প্ৰদায়িক দল। এই দলে সংবিধান শেষ কৰিব বিচাৰিছে। তেওঁ লোকৰ মন পছন্দ সংবিধান প্ৰস্তুত কৰি ৰাষ্ট্ৰৰ পৰিচালনা কৰিব বিচাৰিছে। এই দল গণতান্ত্ৰৰ শত্ৰু। বি জে পিৰ হাতত ভাৰতৰ বিভিন্ন জাতি জনগোষ্ঠী সুৰক্ষিত নহয়। এইবাৰ ৯ নং নগাঁও লোকসভা সমষ্টিত কংগ্ৰেছৰ নেতাক বি জে পিয়ে টিকট দিছে। কলা টকা তেওঁ লোকৰ হাতত আছে। অভ্যৰ্থনা সমিতিৰ সভাপতি হবিবুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনত চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনে তেওঁৰ ভাষণত কয়-আজি অসমৰ সংখ্যালঘু মানুহ ভয় আৰু শংকাত দিন কটাই আছে। আজি অসমত হেজাৰ হেজাৰ মানুহ চৰ অঞ্চলত বসবাস কৰি আছে। তেওঁ লোক বিভিন্ন সমস্যাত জৰ্জৰিত হৈ আছে। আজি আমাৰ মছজিদৰ ওপৰত ভাবুকি, মাদ্ৰাছাৰ ওপৰত ভাবুকি। এসময়ত আমাৰ ভোটৰ মূল্য নাছিল। এ আই ইউ ডি এফৰ জন্মৰ পিছৰ পৰা আমাৰ ভোটৰ মূল্য হৈছে। বদৰুদ্দিন আজমল নেতৃত্বাধীন এ আই ইউ ডি এফ এটা দল নহয়। এ আই ইউ ডি এফ এটা জীৱন্ত সংগ্ৰাম। এই সংগ্ৰামৰ জৰিয়তে আমি আমাৰ অধিকাৰ সাব্যস্ত কৰিব লাগিব। তেওঁ কংগ্ৰেছ দলক ক্ষুৰধাৰ সমালোচনা কৰি আৰু কয়-কংগ্ৰেছৰ দিনত আমাৰ হেজাৰ হেজাৰ মানুহক নেলি, গহপুৰত হত্যা কৰা হৈছিল। আজি লৈকে আমি ন্যায় পোৱা নাই। গৌৰব গগৈ বা প্ৰদ্যুৎ বৰদলৈ আমাৰ ফেক্টৰ নহয়। তেওঁ লোকৰ লগত আমাৰ খেল নহয়। কংগ্ৰেছ তিনি নম্বৰত থাকিব। আজিৰ এই বিশাল ৰাজহুৱা সভা খনত এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ড° হাৰুণ আহমেদ, চম্পক কলিতা, নুপুৰ বৰ্দ্ধন আৰু নগাঁও জিলা সমিতিৰ সভাপতি বদৰু দ্যোজা চৌধুৰীয়ে তেওঁ লোকৰ ভাষণত ধিং সমষ্টিৰ পৰা তিনি বাৰ কৈ বিধায়ক হোৱা সৎ, সাহসী আৰু নিকা ভাৱ মূৰ্তিৰ প্ৰাৰ্থী হাজী আমিনুল ইছলামক তলা-চবিৰ ছবিত ভোট দি জয় যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনায়।

# কাজিৰঙা পৰিভ্ৰমণ

পোছাক আৰু মুৰত কাওবয় হেড পৰিধান কৰি হাতীৰ পিঠিৰ পৰাই প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰত্যক্ষ কৰিলে এশিঙীয়া গঁড়, পহু, হৰিণ আৰু বহু জীৱ-জন্তু। প্ৰায় ২০ মিনিটৰো অধিক সময় ধৰি হাতীৰ পিঠিত কাজিৰঙা পৰিদৰ্শনৰ পাছত খোলা জীপত উঠি জীপ ছাফাৰীও কৰে। জীপ ছাফাৰীৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীক সংগ দিয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে। প্ৰধানমন্ত্ৰীগৰাকীয়ে সঞ্চালকগৰাকীক ৰাষ্ট্ৰীয় উদ্যানখন সন্দৰ্ভত বিভিন্ন প্ৰশ্ন কৰাৰ লগতে এলিভেটেড কৰিড'ৰ সম্পৰ্কেও সবিশেষ তথ্য লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে জীপচালক ইবোচা সিঙৰ লগতো বাৰ্তালাপ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাজিৰঙাৰ জীপ ছাফাৰীৰ পাছতে ৰাষ্ট্ৰীয় উদ্যানখনৰ সুৰক্ষাৰ কাৰণে নৱগঠিত মহিলা বনৰক্ষী দল 'বন দুৰ্গা'ৰ ৩৬ গৰাকী বীৰাংগনাৰ সৈতে মত বিনিময় কৰে। বনৰক্ষীসকলক মা দুৰ্গাৰ দৰে শক্তিশালী ৰূপত অৰণ্য আৰু বন্যপ্ৰাণীক সংৰক্ষণ দিবলৈ আহ্বান জনায়। বন দুৰ্গা দলৰ নিষ্ঠা আৰু সাহসক প্ৰশংসাও কৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে। তদুপৰি তেওঁ কাজিৰঙা ভ্ৰমণৰ সময়ত পৰ্যটকে ব্যৱহাৰ কৰা লক্ষীমাই, প্ৰদ্যুম্ন আৰু ফুলমাই নামৰ হাতীকেইটাক কুঁহিয়াৰ খুৱায়। ইফালে, কাজিৰঙা পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত বিশ্ববাসীক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সৌন্দৰ্য উপভোগ কৰিবলৈ আহ্বান জনায়। মেলেং মেটেলি খেলপথাৰত অনুষ্ঠিত বৃহৎ ৰাজহুৱা সভাতো ৰাষ্ট্ৰীয় উদ্যানখন সন্দৰ্ভত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়- এশিঙীয়া গঁড়ৰ ৭০ শতাংশ কাজিৰঙাত আছে। ই এক অনন্য ৰাষ্ট্ৰীয় উদ্যান আৰু বাঘ সংৰক্ষিত বনাঞ্চল। ইয়াৰ জৈৱ-বৈচিত্ৰ্য সঁচাকৈ আকৰ্ষণীয়। এশিঙীয়া গঁড়ৰ লগতে জলাশয়, হৰিণ, বাঘ, হাতী, বন্য ম'হ আদি বন্যপ্ৰাণী প্ৰত্যক্ষ কৰি মই অভিভূত। প্ৰধানমন্ত্ৰীগৰাকীয়ে পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনৰ গাফিলতিৰ ফলত কিদৰে গঁড় হত্যা কৰা হৈছিল, সেই দিশ উল্লেখ কৰি কয়- ২০১৩ চনত এবছৰতে ২৭টা গঁড় নিধন কৰা হৈছিল। বিজেপি চৰকাৰ অহাৰ পিছত গঁড়ক সুৰক্ষা দিয়াৰ বিশেষ পদক্ষেপ লোৱা হয়। যাৰ বাবে ২০২২ চনত এটাও গঁড় নিধন হোৱা নাছিল। প্ৰধানমন্ত্ৰীয়ে কাজিৰঙাৰ সোণালী জয়ন্তী বৰ্ষত অসমবাসীক শুভেচ্ছা জনায় আৰু দেশবাসীক ৰাষ্ট্ৰীয় উদ্যানখন পৰিভ্ৰমণ কৰাৰ বাবেও আহ্বান জনায়।

## ENGLISH NEWS SECTION

# Governor distributes educational grant to employees of Raj Bhavan



Guwahati, RB News- With a view to motivate the wards of Raj Bhavan employees to pursue higher education, Assam Governor Shri Gulab Chand Kataria and the First Lady Smt. Anita Kataria presented educational grants to the meritorious students who are at different levels of their higher studies at a function held in Raj Bhavan here today. It may be mentioned that altogether 39 students were given educational grants. Students who secured 60 per cent and above in their higher secondary, under graduate, post graduate examinations. Moreover, financial grants were given to the students who were undertaking professional courses.

# IND trounce ENG by an innings to win series 4-1 in Dharamshala




RB News- Team India registered a dominant innings-and-64-run win over England in the fifth and final Test in Dharamsala, taking the series 4-1. Ravichandran Ashwin, taking part in his 100th Test, was the star on the third and final day of the game as he picked a record-breaking 36th five-wicket haul, helping the hosts bowl England out for 195.

# James Anderson becomes first pacer in Tests to pick 700 wickets




RB News- England's 41-year-old fast bowler James Anderson has become the first fast bowler to take 700 wickets in 147-year Test cricket history. Anderson reached the milestone after dismissing Kuldeep Yadav in India's first innings in the Dharamshala Test. Shane Warne (708) and Muttiah Muralitharan (800) are the other two bowlers to take at least 700 wickets in Test cricket.

# Krystyna Pyszkova of Czech Republic wins 71st Miss World title



RB News- Miss Czech Republic Krystyna Pyszkova is the new Miss World. The 25-year-old was crowned the winner of the 71st Miss World by Karolina Bielawska of Poland. Miss Lebanon Yasmina Zaytoun was declared the 1st runner-up. Miss Botswana Lesego Chombo and Miss Trinidad and Tobago Ache Abrahams were the other two beauty queens in the top 4 of the competition.

# Ashwin breaks record for taking most 5-wicket hauls in Test cricket



RB News- Leading off-spinner Ravichandran Ashwin wrote history in his 100th Test. As he broke Muttiah Muralitharan's world record to register the best bowling figures in the milestone match. Ashwin took 9 wickets in his 100th Test, with Ben Foakes being his record-clinching dismissal on Day 3 of the fifth and final Test of the series in Dharamsala. Muralitharan had figures of 9/141 in his 100th Test; Ashwin, meanwhile, ended with figures of 9/128.

# Actor Dolly Sohi dies due to cancer

RB News- In a devastating turn of events, actor Dolly Sohi, known for her roles in various television shows, including Jhanak, Meri Aashiqui Tum Se Hi, and Khoob Ladi Mardaani... Jhansi Ki Rani has passed away after a courageous battle with cervical cancer. Her sister, Amandeep Sohi, also an actor, tragically passed away just a day earlier after being diagnosed with jaundice.

# PEC expresses grief over demise of two Bangla reporters




RB News - Press Emblem Campaign (PEC), the global media safety and rights body, expresses profound grief over the demise of two Bangladeshi journalists in a devastating fire that took place in Dhaka. The carnage on 29 February 2024 snatched away the lives of at least 46 people including Abhishruti Shastri and Tusar Hawlader, both of whom worked for Dhaka-based online media outlet Thereport.live. The colleagues and family members identified the bodies of Abhishruti and Tusar at Dhaka medical college hospital morgue. It's shocking that two young reporters had to lose their lives in the accident along with many other Bangla citizens. Prime Minister Sheikh Hasina-led Bangladesh government in Dhaka should thoroughly investigate all the causes of the shocking fire incident in a crowded area and put accountability on guilty individuals," said Blaise Lempen, president of PEC (https://pressemblem.ch/), adding that the nearest family members of both Abhishruti and Tusar should be compensated adequately. The massive fire incident also left many others seriously injured, among them over 20 individuals are surviving in critical condition.

# দৰঙত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন

ৰঙিলী বাৰ্ত্তাসেৱা- দৰঙৰ জিলা প্ৰশাসন আৰু মহিলা আৰু শিশু বিকাশ বিভাগ, দৰঙৰ সৌজন্যত দলগাঁৱৰ টাউন খেলপথাৰত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস-২০২৪ উদযাপন কৰা হয়। জিলা মহিলা সবলীকৰণ কেন্দ্ৰ, দৰং আৰু জিলা আইন সেৱা প্ৰাধিকাৰীৰ সহযোগিতাত এই দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত জিলা আইন সেৱা প্ৰাধিকাৰী সচিব শতাব্দী ভূএগ, অসম ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষা নিলীমা দেৱী, জিলা শিশু সুৰক্ষা বিষয়া



গৌতম চহৰীয়া, অধিবক্তা আব্দুল মালিক আদি বক্তাসকলে ভাষণ প্ৰদান কৰে। বক্তাকেইগৰাকীয়ে তেওঁলোকৰ ভাষণত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ তাৎপৰ্য, এই দিৱস উদযাপনৰ প্ৰয়োজনীয়তা, লিংগ বৈষম্যৰ দূৰীকৰণ, সমাজত নাৰীৰ অধিকাৰ আৰু এই বিষয়ক আইন তথা আইনী সুবিধা, নাৰী সৱলীকৰণৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন উপলক্ষে আয়োজিত উক্ত অনুষ্ঠানত মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা ড° লীনা শইকীয়া আৰু ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মহিলা ক্ৰিকেট খেলুৱৈ জিন্টিমনি কলিতাৰ মাতৃ শেৱালী কলিতাক সমাজলৈ তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ঝুমুৰ নৃত্যকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন উপলক্ষে পুৱাৰ ভাগত টেকেলী ভঙা, বেজী সূতাৰ দৌৰ আদি ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰাৰ লগতে নাৰী সবলীকৰণ বিষয়ক এক তিনিদিনীয়া সজাগতামূলক প্ৰচাৰ অভিযানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত মঙলদৈ মহিলা কল্যাণ সমাজ, কস্তুৰী শিশু গৃহ আদি বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়াসকলৰ লগতে যথেষ্ট সংখ্যক মহিলা উপস্থিত থাকে।




JANASANYOG-5042/23/10 - March - 24


ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286